Shri Chatrasing Teron ( Minister )—Not only in our State in other States also Post Graduate scholarship is not given in consideration of the fact that most of the students in the Post Graduate classes study while they work in the hospital.

Shrimati Renuka Devi Barkataki – when the Doctors gave

notice of the strike and when the Government took decision to increase the allowances ? What alternative arrangement has been made by Government to run the hospital in case the Doctors go on strike from tomorrow ?

Shri Chatrasing Teron ( Minister )– It was about ten days ago that a memorandum was submitted after receipt of the memorandum we took the decision about 4 or 5 days ago.

Shri Giasuddin Ahmed—The Minister has said that many of the Post Graduate subjects have been recognised which means that some of the subjects have not been recognised. What steps the Govt. has taken with regard to the non-recognised subjects in the Post Graduate ?

Shri Chatrasing Teron ( Minister )—So far as the running of the hospital is concerned, with the help of the Professors, Asstt. Professors, Registrars and Demonstrators we propose to run the hospital as far as possible. It will be extremely unfortunate if because of this the hospital has to be closed. Therefore, I have appealed to the junior doctors that in view of this decision of the Government they should consider the matter and not to resort to the strike which they have proposed. And as far as possible we shall see that the hospital runs and if it is not possible then naturally the ultimate question will come for closure of the Hospital. Regarding recognition of the Post Graduate course most of the courses are recognised. But I do no know which are the courses still unrecogni-

sed in the college. I shall get the information and see as to how we can get recognition from the Indian Medical Council.

Dr. Rabindra Kumar Goswami – May I know whether employecs of any other cadre is on strike from yesterday ?

Shri Chatrasing Teron ( Minister )—Yes, the 3rd grade and the IV grade staff of the Medical college are on strike.

Shri Dulal Chandra Barua—Whether any step has been taken by the Government to fulfil their demand ?

Shri Chatrasing Teron ( Minister )—Should I reply to the question ? Because it does not form part of the question. But if the hon'ble member wants (Shri Dulal Chandra Barua : Yes) I can reply. So far as the 3rd grade and IV grade employees are concerned their grievances are covered by the report of the Pay Commission and the recommendations of the Pay Commission will be applicable to them as applicable to other Government employees of the same rank and class. So far as the question of house rent is concerned the recommendation of the Pay Commission and the decisions of the Government thereon will be equally applicable to them as it will be applicable to other sets of Government employees. There only remains the case of the daily wage earners. We have decided to raise the daily wage from Rs. 3/- to Rs. 4·50 with effect from 1.1 74.

শ্ৰীজগদীশ দাস – মেডিকেল কলেজৰ যিবিলাক ডিমাণ্ড দিছে সেইটো ফুলফিল কৰাৰ কাৰণে কি অসুবিধা আছে ? চৰকাৰৰ ফালৰ পৰা নিশ্চয় সেই ডিমাণ্ড বিলাক ফুলফিল কৰিব পাৰে ।

শ্ৰীছত্ৰসিং টেৰণ ( মন্ত্ৰী ) – ডিমাপুৰ সংক্ৰান্তত যিখিনি কাগজ সেই গোটেইখিনি মোৰ হাতত নাই তথাপি তাৰ ভিতৰতে মই আগতে কৈছোৱেই যে বেগুলাৰ নিযুক্তি পোৱা সকলক দিয়াত অসুবিধা হব নালাগে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া – এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী ডাঙৰীয়াই কৈছেই কিন্তু ইণ্ডিয়ান এয়াৰ লাইনচ্‌ৰ দৰে লাল পেটাৰ্ণ লৈ বন্ধ কৰাৰ কথা আছে নেকি ?

শ্ৰীছত্ৰসিং টেৰণ – এইটো কথা নহয় কিয়নো হস্পিটাল এতিয়াও চলিয়েই আছে।

## PRIVILEGE MOTION

Mr. Speaker—Question is over. Now the next item—complaint of breach of privilege by Shri Harendra Nath Talukdar, Minister, Education. Are you moving it ?

Shri Harendra Nath Talukdar ( Minister )—Yes, Sir.

Sir, with your permission I beg to bring a complaint of breach of privilege under Rule 158 and Rule 159 of the Rules of Procedure and Conduct of Business of the Assam Legislative Assembly against the Reporters and Editor and the Publisher of the "Dainik Asom" for publishing a news item under the caption. 'সদনত মন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ' (Sadanat Mantrir Birudhe Abhijog) in the issue of 6th December, 1973 for committing breach of privilege of Member and of the House on the following grounds. That while participating in the No-Confidence Motion Shri D. C. Barua, M. L. A. made some references with respect to alleged corruptions which were of general character. But the Reporter in collaboration with the Editor and Publisher published incorrect versions of the proceedings of the House deliberately, wilfully and knowingly with a view to cast

aspersion on my integrity. The correct version published in the said paper is as follows :

৬ ডিচেম্বৰ 'দৈনিক অসম' ১৯৭৩

"মন্ত্ৰীয়ে এখন লাইন বাচৰ পাৰ্মিট লৈছিল ।.........আকৌ শ্ৰীতালুকদাৰ গুৱাহাটী কলেজৰ সম্পাদক হিচাবে থকা সময়ত বহু টকাৰ খেলিমেলি কৰাৰ অভিযোগ উঠিছে । ৰামপুৰ স্কুলৰ লগত জড়িত হৈ থকাত ইয়াৰ চৰকাৰী মঞ্জুৰীৰ বাবদ ৩৪ হাজাৰ টকা লৈ গৈ তাৰ ভাল ব্যৱস্থা হোৱা নাই । ইয়াৰ লগতে ১২ হাজাৰ টকাৰ খেলিমেলিৰ কথাও উঠিছে ।"

আকৌ কাৰেক্ট হৈছে :

"মন্ত্ৰী সভাত তেখেত আহোতে তেখেতৰ এটা বাচ লাইন আছিল, গুৱাহাটী কলেজৰ চেক্ৰেটাৰী থাকোতে যিটো অডিত হৈছিল তাতো খেলিমেলি, ৰামপুৰ হাইস্কুলৰ কাৰণে ৩৪ হাজাৰ টকা লৈ গৈছে সেই টকাৰো ভাল ব্যৱস্থা কৰা নাই বুলি আমি জানিব পাৰিছো আৰু ১২ টকাৰ মিচ্ এপ্ৰোপ্ৰিয়েচন কৰা বুলি আমি জানিব পাৰিছো ।"

The Reporter, the Editor and the Publisher are, therefore, guilty of the breach of privilege committed against me and the House.

Under the circumstances, I beg to request you kindly to take necessary steps in the matter. The relevant extracts of the Assembly proceedings and the Newspaper are also enclosed herewith.

চাৰ, কথা হৈছে বৰুৱা ডাঙৰীয়াই মন্ত্ৰী সভালৈ তেখেত অহাৰ আগতে বুলি কোৱা ঠাইত পেপাৰত দিছে 'মন্ত্ৰীৰ এখন লাইন বাচৰ পাৰ্মিট লৈছিল' । বৰুৱাই কৈছিল 'বাচৰ লাইন' আছিল আৰু 'এখন বাচৰ পাৰ্মিট' লোৱা দুয়োটাৰ পাৰ্থক্য আছে । কিয়নো এখন বাচৰ পাৰ্মিট লোৱা বুলি ক'লে মানুহৰ মনত সন্দেহ হয় । গুৱাহাটী কলেজৰ সম্পাদক থাকোতেও মিচ্ এপ্ৰোপ্ৰিয়েচন বুলি কলে মানুহৰ সন্দেহ নহয় যদিও খেলিমেলি বুলি ক'লে মানুহৰ মনত সন্দেহ । ৰামপুৰ স্কুলৰ ৩৪ হাজাৰ টকাৰ কথাত বাতৰিত দিছে 'ৰামপুৰ হাইস্কুলৰ লগত জড়িত হৈ থকা'

আৰু 'বাৰ হেজাৰ টকাৰ খেলিমেলিৰ কথাও উঠিছে'। মিচ্‌এপ্ৰোপ্ৰিয়েচন মানুহৰ মনত সন্দেহ নহয় যদিও খেলিমেলি সন্দেহৰ কথা। এইটো মোৰ প্ৰতি অন্যায় কৰা হৈছে। এইটো সাধাৰণ বাজেটৰ নিয়ম অনুসৰি বিধান সভাৰ কথাকে লৈ ব্লক নিউজ হিচাবে দি ইচ্ছাকৃত ভাৱে মোক ফ্ল্যাচ কৰিছে।

অধ্যক্ষ— কাগজখিনি দিব।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা—অধ্যক্ষ মহোদয়, মইও আৰু এটা প্ৰিভিলেজ মোচনৰ কাৰণে আশা কৰি আছোঁ। কিন্তু প্ৰিভিলেজ মোচনৰ সংক্ৰান্তত কমিটিয়ে এই বিলাক কথালৈ বৰকৈ কাণ দিব নালাগে বুলি আৰু মন্ত্ৰী-তন্ত্ৰী হলে অলপ চাল ডাঠ হব লাগে বুলিয়েই আমি ভাবো। আমাৰ মন্ত্ৰী সকলৰ নিচিনা চেক্ৰেটাৰী, প্ৰাইভেট চেক্ৰেটাৰী আদি নাই, খোজ কাঢ়িয়েই ঘূৰি ফুৰো।

অধ্যক্ষ—কাগজখনৰ ওপৰত কৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা– কাগজখনত এজন মন্ত্ৰীৰ কথা দিছে। কিন্তু এই ধৰণৰ কথালৈ বৰকৈ কাণ দিব নালাগে। যদি বিশেষাধিকাৰ ভঙ্গৰ প্ৰস্তাৱ আনে তেন্তে আমাৰ বিৰুদ্ধে আনিব পাৰে। মই কৈছিলা যেতিয়া মোৰ বিৰুদ্ধেই আনিব পাৰে মই সাজু আছো। কিন্তু কাগজৰ ফালে এই বিলাক কথালৈ বৰকৈ কাণ দিয়া ভাল নহয়। যিহেতু কমিটিয়ে আগতেই এই বিষয়ত কৈছেই।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—মই এটা কথা জনাব বিচাৰিছো যে আজি বাতৰিকাকত বিলাকে আমাৰ সংসদী জীৱনত যি ধৰণে সহায় কৰিছে সেই কথা কোনেও নুই কৰিব নোৱাৰে। এই বাতৰিকাকত সমূহে বিধান সভাৰ বাতৰি পৰিবেশন কৰোতে শ্ৰীতুলাল বৰুৱাই কোৱা কথা বাতৰিকাকতত কোৱা কথাৰ মাজত অলপ পাৰ্থক্য থাকিব পাৰে। গতিকে এইটোৱে বিশেষ ভাবে materially attack কৰিব বুলি মই নাভাবো। বিধান সভাত এজন সদস্যই আন এটা সদস্যৰ ওপৰত যিটো চাৰ্জ আছে তাৰ সত্যতাটো প্ৰমাণ কৰিবলৈ চেষ্টা কৰিব লাগে। বাতৰি কাকতত অলপ ভুল-ভ্ৰান্তি হলে সেইটো কথা নধৰি মাননীয় সদস্য শ্ৰীতুলাল বৰুৱাৰ ওপৰত যদি ব্ৰিচ্ অফ্ প্ৰিভিজেল আনিব খোজে

সেইটো খোলাখুলিকৈ কব লাগে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—অধ্যক্ষ মহোদয়, বস্তুত পাৰ্থক্য আছে।

M. Speaker—I shall go into the official records and other relevant papers and then give my decision.

Now, Item No. 2.

Shrimati Renuka Devi Barkataki—Sir, I beg to call the attention of the Minister, Supply, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the Dainik Janambhumi, dated 9th January, 1974, under the Caption.

"ৰেলত ডাক নিয়া ডবাত চোৰাংকৈ চাউল নিয়াৰ অভিযোগ"

শ্ৰীগজেন তাঁতী—অধ্যক্ষ মহোদয়, যোৱা ৯।১।৭৪ তাৰিখে প্ৰকাশিত দৈনিক জনমভূমি বাতৰি কাকতত "ৰেলৰ ডাক দিয়া ডবাত চোৰাংকৈ চাউল নিয়াৰ অভিযোগ শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে।

উক্ত বাতৰিটোত নগাওঁ জিলাৰ পৰা প্ৰতি দিনে শ শ বেগ চাউল যাত্ৰীবাহী ৰেল যোগে ওচৰ চুবুৰীয়া দেশ বিলাকলৈ বে-আইনিভাৱে নিয়া হৈছে বুলি দোষাৰোপ কৰা হৈছে। বাতৰিটোত আৰু কোৱা হৈছে যে এনে ধৰণৰ বে-আইনিভাবে ৰেলৰ মেইল ডবাত চাউল নিয়া এটা ঘটনা যোৱা ৩০ ডিচেম্বৰ তাৰিখে কেইজনমান নিবনুৱা অসমীয়া ডেকাই ধৰা পেলায়। চৰকাৰে এই বিষয়টো তদন্ত কৰিছে।

দেখা যায় যে বাতৰি কাকতত প্ৰকাশ হোৱা বিষয়টো আগতে চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাছিল।

যেই হওক ওচৰ চুবুৰীয়া দেশ বিলাকলৈ কিছুলোকে বে-আইনী ভাবে চাউল নিবলৈ বিচৰাতো সত্য।

এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বে-আইনীভাৱে চাউল নিয়া ঘটনা যাতে নহয়, তাৰ বাবে যথা সম্ভৱ ব্যৱস্থা হাতত লৈছে, এই কাৰণেই যিবিলাক সম্ভৱপৰ বাটেদি জিলাৰ পৰা বাহিৰলৈ চাউল

বা ধান নিব পাৰে, সেই বাট বিলাকত নিৰীক্ষক চকী স্থাপন কৰিছে আৰু সেই নিৰীক্ষক চকীবিলাকত আৰক্ষী বাহিনী আৰু বিভাগীয় চেকাৰ নিয়োগ কৰা হৈছে। ৰেলৱে কৰ্তৃপক্ষক ৰেলৱে আৰক্ষী বাহিনীৰ দ্বাৰা বে-আইনীভাৱে চাউল বা ধান জিলাৰ বাহিৰলৈ নিয়াতো বন্ধ কৰিবৰ বাবে বিহিত ব্যৱস্থা লবলৈ অনুৰোধ কৰা হৈছে।

এইটো বিশ্বাস কৰণ হৈছে যে উক্ত ব্যৱস্থা বিলাক ফলপ্ৰসূ হৈছে আৰু জিলাৰ বাহিৰলৈ ধান বা চাউল নিয়া ঘটনা যথেষ্ট কমি গৈছে।

এই সন্দৰ্ভত চৰকাৰে গুৰুত্ব দি কব খোজে যে যদি এনে ধৰণৰ ক্ষেত্ৰত কোনো নিৰ্দ্দিষ্ট আৰু প্ৰকৃত খবৰ দৃষ্টি গোচৰ হয়, তেনে ক্ষেত্ৰত চৰকাৰে অপৰাধৰ বিৰুদ্ধে আইনমতে ব্যৱস্থা লবলৈ অকনো কুণ্ঠাবোধ নকৰিব। চৰকাৰে আৰু অনুৰোধ কৰে যে এই ধৰণৰ অপৰাধ সংঘটিত হোৱাৰ সঠিক খবৰ যদি কোনো লোকে পায়, তেনে লোকে তৎক্ষণাত স্থানীয় কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰিব লাগে যাতে কৰ্তৃপক্ষই তেনে লোকক ধৰা পেলায় আৰু আইনমতে যথাবিহিত শাস্তি বিহাৰ ব্যৱস্থা কৰিব পাৰে।

শ্ৰীৰেণুকাদেবী বৰকটকী- মই এটা স্পষ্টীকৰণ বিচাৰিছো যে ৰেলত চোৰাং ভাবে ধান চাউল নিনিবৰ কাৰণে ৰেলৱে আৰক্ষী বাহিনীক অনুৰোধ কৰিছেনে, অসম পুলিচৰো ব্যৱস্থা আছে ?

শ্ৰীগজেন তাঁতী—ৰেলৱে কৰ্তৃপক্ষক অনুৰোধ কৰিছো যাতে ধান চাউল বাহিৰলৈ নিব নোৱাৰে আৰু তাৰ কাৰণে চেক কৰাৰ ব্যৱস্থা আছে।

শ্ৰীমতী ৰেণুকাদেবী বৰকটকী—অসম পুলিচৰ চেক কৰাৰ ব্যৱস্থা আছেনে নাই ?

শ্ৰীগজেন তাঁতী—সকলো ঠাইতে নাই।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—কোন কোন ঠাইত আছে ?

শ্ৰীগজেন তাঁতী—যিবিলাক ষ্টেচনত ৰেলখন বেছি সময় ৰয়, তাতেই চেক কৰাৰ ব্যৱস্থা আছে।

Mr. Speaker—Now Item No. 3

শ্ৰীসোনেশ্বৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নিয়ম অনুসৰি ৰাজ্যখনৰ অত্যন্ত গুৰুত্বপূৰ্ণ

বিষয়টো সদনত আলোচনা হবৰ অৰ্থে আৰু যথাযথ উত্তৰ পাবৰ অৰ্থে উত্থাপন কৰিলো। বিষয়টো যোৱা ১৯৭৩ চনৰ ১৩ ডিচেম্বৰ তাৰিখে প্ৰকাশিত 'দৈনিক অসম' বাতৰি কাকতত প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে। প্ৰকাশিত বাতৰিটোৰ শিৰোনামা এই—

"অসমৰ ভাগৰ চেনিৰ ক্ষেত্ৰত টোগলকী কাৰবাৰ"

উক্ত শিৰোনামাৰ প্ৰকাশিত বাতৰিটোৱে ৰাজ্যখনৰ সমূহ ৰাইজকে স্তম্ভিত কৰি তুলিছে আৰু ৰাইজৰ মাজত এক চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিষয়টো অতি গুৰুতৰ। বাতৰিটোৰ মতে যোৱা নবেম্বৰ মাহত কেন্দ্ৰীয় চৰকাৰে অসমৰ কাৰণে নিৰ্দ্ধাৰণ কৰা চেনিৰ ক'টা ভুল হিচাবৰ কাৰণে চেনি নোহোৱা কেইবাটাও চেনিকলত নিৰ্দ্ধাৰণ কৰাত অসমৰ খাদ্যনিগমে পাব লগা চেনিৰ পৰা বিৰত হয়। অসমৰ ক্ষেত্ৰত কেন্দ্ৰৰ এইয়া'কণা হাঁহক পতান ধান, নহয় জানো।

এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰৰ পৰা পাব লগা ক'টাৰ অসম ৰাজ্য বঞ্চিত হ'ল ? এই বিষয়টো গুৰুত্বপুৰ্ণ হোৱাৰ বাবে বিষয়টো উত্থাপন কৰিলোঁ।

শ্ৰীগজেন তাঁতী—মাননীয় অধ্যক্ষ মহোদয়, ইংৰাজী ১৯৭৩ চনৰ ১৩ ডিচেম্বৰ তাৰিখৰ দৈনিক অসম বাতৰি কাকতত "অসমৰ ভাগৰ চেনিৰ ক্ষেত্ৰত টোগলকী কাৰবাৰ" শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

ভাৰতীয় খাদ্য নিগমে অসমলৈ অসমৰ বাবে নিৰ্ধাৰিত নিয়ন্ত্ৰিত দামৰ চেনি অনাত অসুবিধা বিলাকৰ বিষয়টো বাতৰিটোত উল্লেখ কৰা হৈছে আৰু উক্ত বাতৰিত ভৱিষ্যতলৈ এনে অসুবিধাবিলাক চলি থাকিলে অসমলৈ নিয়ন্ত্ৰিত দৰৰ চেনিত চাহিদা পূৰণ কৰাৰ সম্পৰ্কত সন্দেহ কৰা হৈছে।

উক্ত বিষয়টো চৰকাৰে তদন্ত কৰিছে আৰু সেই সম্পৰ্কত তথ্যপাতি তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

১৯৭৩ চনৰ ১ জানুৱাৰীৰ পৰা সমগ্ৰ অসমৰ কাৰণে ভাৰতীয় খাদ্য নিগমক নিয়ন্ত্ৰিত চেনিৰ পাইকাৰী ব্যৱসায় দিয়া হৈছে।

সাধাৰণতে উত্তৰ প্ৰদেশৰ ২০।৩০ টা চেনি কলৰ পৰা অসমৰ কাৰণে নিয়ন্ত্ৰিত চেনি দিয়া হয়। অৱশ্যে মাজে সময়ে বিহাৰ আৰু আন ঠাইৰ কেইটামান চেনিকলৰ পৰাও দিয়া হয়।

চৰকাৰৰ পৰা জিলা অনুযায়ী নিয়ন্ত্ৰিত চেনিৰ নিৰ্দ্ধাৰণ পোৱাৰ পাছত ভাৰতীয় খাদ্য নিগমে তেওঁলোকৰ লক্ষ্ণৌত থকা জিলা কাৰ্য্যালয়ক নিৰ্দ্দেশ দিয়ে আৰু তেতিয়া সেইমতে কাৰ্য্যালয়ে উপায়ুক্ত আৰু মহকুমাধিপতিয়ে উল্লেখ কৰা পঠিয়াব লগা ঠাইলৈ নিয়ন্ত্ৰিত বিভিন্ন চেনি কলৰ পৰা পঠায়।

১৯৭৩ চনৰ জানুৱাৰী মাহৰ পৰা অক্টোবৰ মাহলৈকে নিয়ন্ত্ৰিত চেনি পঠোৱা ও অসমত আহি পোৱা বিষয়টো সচৰাচৰ সন্তোষ জনক আছিল; আৰু নিয়ন্ত্ৰিত চেনিৰ বিতৰণো সুচাৰু ৰূপে চলি আছিল। অৱশ্যে কেতিয়াবা কোনো ডিপোৰ সাময়িক নাটনিৰ ক্ষেত্ৰত খাদ্য নিগমে এটা ডিপোৰ পৰা আন এটা ডিপোলৈ চেনি সৰবৰাহ কৰে।

১৯৭৩ চনৰ নবেম্বৰ মাহত এই পৰিস্থিতিৰ সলনি হয় আৰু নিয়ন্ত্ৰিত চেনি সেই মাহত দুটা কিস্তিত অনাৰ নিৰ্দ্ধাৰণ কৰা হয়। প্ৰথম কিস্তি উত্তৰ প্ৰদেশৰ দহোটা (১০) চেনি কলৰ পৰা নিৰ্দ্ধাৰণ কৰা হয়। আৰু সেই অনুযায়ী ভাৰতীয় খাদ্য নিগমৰ গুৱাহাটী কাৰ্য্যালয়ে লক্ষ্ণৌৰ কাৰ্য্যালয়ক নিৰ্দ্দেশ দিয়ে। এই নিৰ্দ্ধাৰিত চেনিও সম্পূৰ্ণ কৈ পঠোৱা নহ'ল।

পাছত ভাৰতীয় খাদ্য নিগমৰ গুৱাহাটী কাৰ্য্যালয়ে নবেম্বৰ মাহৰ দ্বিতীয় কৃষ্টি চেনি কোনো কলৰ পৰা নিৰ্দ্ধাৰণ নকৰিবলৈ আৰু অকল পাইপ লাইন ষ্টকৰ পৰাহে আনিবলৈ নিৰ্দ্দেশ পায়।

সাধাৰণতে এটা মাহত নিৰ্দ্ধাৰণ কৰা চেনি পাছৰ মাহতহে অসমলৈ আহি পায়। ওপৰত উল্লেখ কৰা ধৰণে নবেম্বৰ মাহত যদিও নিৰ্দ্ধাৰণ কৰা চেনি সম্পূৰ্ণৰূপে চেনি কল বিলাকে পঠোৱা নাছিল তথাপিও নবেম্বৰত বিশেষ অসুবিধা নহল ইয়াৰ কাৰণ হৈছে আগৰ মাহৰ নিয়ন্ত্ৰিত দৰৰ চেনি আৰু কিছু পৰিমানে খাদ্য নিগমে মজুত কৰা চেনি নবেম্বৰ মাহত বিতৰণ কৰা হয়।

এই কাৰণে নবেম্বৰ মাহৰ চেনিৰ অভাৱ ডিচেম্বৰ মাহতহে অনুভৱ কৰা হ'ল। ভাৰতীয় খাদ্য নিগমৰ স্থানীয় কাৰ্য্যালয়ে এই বিষয়টো আৰু নিয়ন্ত্ৰিত দৰৰ চেনি ততাতৈয়াকৈ পঠোৱাৰ বাবে বিভিন্ন মহলত হাতত লয়। খাদ্য নিগমে তেওঁলোকৰ মুভমেণ্ট বিষয়াক লক্ষ্ণৌলৈ

অসমৰ কাৰণে শীঘ্ৰে চেনি কলৰ পৰা চেনি পঠোৱাৰ ব্যৱস্থা কৰিবলৈ পঠায়।

উক্ত বিষয়াজনে শীঘ্ৰে চেনি পঠোৱাৰ সন্দৰ্ভত হোৱা অসুবিধা বিলাকৰ বিষয়ে উল্লেখ কৰে যে—

(১) ৰেল ইঞ্জিন কৰ্মী সকলৰ ধৰ্ম্মঘটৰ বাবে বুকিং কৰাত বাধা আৰোপ।

(২) কেন্দ্ৰীয় চৰকাৰৰ চেনি সঞ্চালকৰ কিছুমান চেনি কলত নিয়ন্ত্ৰিত দৰৰ চেনিৰ পৰিমানৰ ক্ষেত্ৰত ভুল নিৰ্দ্ধাৰণ,

(৩) আমাৰ বাবে নিৰ্দ্ধাৰণ কৰা কোনো কোনো চেনি কলৰ নিম্ন-থাপৰ ভিজা চেনি,

এই কাৰণে ভাৰতীয় খাদ্য নিগমে উত্তৰ প্ৰদেশৰ পৰা ৰাস্তাইদি চেনি অনা বিষয়টো হাতত লয়। কিন্তু যেহেতু অসমলৈ আনিবলৈ লৰি পোৱা নগ'ল, এই কথাটো কাৰ্য্যকৰী নহল।

এই বিষয়ে অসম চৰকাৰে ভাৰতীয় খাদ্য নিগমৰ সৈতে সমান যোগাযোগ ৰাখিছে আৰু অসমৰ গোৱালপাৰা জিলাৰ বাহিৰে আন আন ঠাইত চেনিৰ পৰিস্থিতি যথেষ্ট উন্নতি হৈছে।

গোৱালপাৰা জিলাত নিয়ন্ত্ৰিত দৰৰ চেনিৰ অভাৱ এতিয়াও আছে। গোৱালপাৰা জিলাত এই অভাৱৰ কাৰণ হৈছে মহকুমাত যি কেইটা চেনি কলৰ পৰা চেনি পঠাবলৈ নিৰ্দ্ধাৰণ কৰা হৈছিল, সেই চেনিকল কেইটাই কেন্দ্ৰীয় চৰকাৰে ধাৰ্য্য কৰা মূল্যত বিশেষ আদালতত গোচৰ দিছে আৰু আদালতৰ পৰা উক্ত মূল্য স্থগিত ৰখাৰ নিৰ্দ্দেশ পাইছে।

তাৰ পাছত ভাৰতীয় খাদ্য নিগমৰ গোৱালপাৰা জিলাৰ ক্ষেত্ৰত এই বিষয়টোৰ বিষয়ে যোগাযোগ ৰখা হৈছে আৰু আশা কৰা যায় যে তাত সোনকালেই পৰিস্থিতি উন্নত হয়।

যেহেতু অসমলৈ আহি পোৱা ৰেলৰ ডবাৰ সংখ্যা উন্নত হৈছে, গতিকে অদূৰ ভৱিষ্যতলৈ নিয়ন্ত্ৰিত দৰৰ চেনিৰ বিতৰণৰ ক্ষেত্ৰত পৰি-স্থিতি স্বাভাৱিক হব বুলি আশা কৰা যায়।

শ্ৰীগোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, বাতৰিটোত আৰু এটা কথা আছিল যিটো কথা বিশেষকৈ উল্লেখ কৰা হৈছে যে নবেম্বৰ মাহত যিটো চেনিৰ

কোটা দিছিল সেই চেনি কিছুমান চেনি নাইকীয়া মিলত দিয়া হৈছিল, এই কথাটোৰ উত্তৰ মন্ত্ৰী মহোদয়ে উল্লেখ কৰা নাই।

শ্ৰীঅযোধ্যা ৰাম দাস—মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে বিৰাট পিতিচন কৰা কাৰণে গোৱালপাৰাত চেনি যোগান ধৰিব পৰা নাই। এই বিষয়ে তেখেতক নিজে লগ ধৰি কেৰাবাৰো দৃষ্টিগোচৰ কৰা হৈছে কাৰণ ডিচেম্বৰ, জানুৱাৰী মাহত চেনিৰ অভাব বাৰুকৈয়ে অনুভৱ কৰা হৈছে। যোৱা জানুৱাৰী মাহত গোৱালপাৰা মহকুমাত ২•৭৫ কুইন্টল চেনি দিয়া হৈছিল তাৰে ৪৪৫ কুইন্টল চেনি আমি নাপালো, বহুত যোগাযোগ কৰিও চেনি নাপালো। গতিকে ৰাইজৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছে। এই বিষয়ে মন্ত্ৰী মহোদয়ে কাৰ্য্যকৰী ব্যৱস্থা লব বুলি আশ্বাস দিব নেকি ?

শ্ৰীলক্ষ্মী কান্ত শইকীয়া—মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টিকৰণ বিচাৰিছো। আমাৰ চেনি বিতৰণৰ যিটো নীতি বৰ্ত্তমান চলি আছে, অৰ্থাৎ শতকৰা ৬০ ভাগ নিয়ন্ত্ৰিত আৰু ৪০ ভাগ খোলাবজাৰৰ চেনি। অসমলৈ চেনি অহাত যিটো অসুবিধা সেইটো অকল নিয়ন্ত্ৰিত চেনিৰ ক্ষেত্ৰত নে খোলা-বজাৰৰ চেনিৰ ক্ষেত্ৰতো ? আমি দেখিছো খোলাবজাৰৰ চেনিৰ ক্ষেত্ৰত যোগানৰ কোনো ব্যতিক্ৰম নহয় কাৰণ পইচা দিলেই যথেষ্ট চেনি বজাৰত পোৱা যায় কিন্তু নিয়ন্ত্ৰিত চেনিৰ ক্ষেত্ৰত এই বেমেজালি কিয় ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী )—ৰবা ডাঙৰীয়াৰ প্ৰশ্নৰ সন্দৰ্ভত মই আগতে কৈ থৈছো যে ভুলতে কেইটা মান চেনি নোহোৱা মিলত পাৰ্মিট দিয়া হৈছিল। কিন্তু পাচত বদলাই দিয়া হৈছে।

শ্ৰীদাস ডাঙৰীয়াৰ প্ৰশ্নৰ প্ৰশ্নৰ্ভত মই বিতংকৈ কৈছো। ইতিমধ্যে গোৱালপাৰালৈ কিছু চেনি পঠিওৱা হৈছে। অতি সোনকালে বাকী খিনিবো অভাব পূৰণ হব বুলি আশা কৰা হৈছে।

শ্ৰীশইকীয়া ডাঙৰীয়াই যিটো কৈছে যে আমাৰ লেভি চুগাৰ বা ফ্ৰিচেল চুগাৰ যাতায়তৰ অভাৱত কিছু অসুবিধাৰ সৃষ্টি হৈছে। বাকী খিনি মই চাই কব পাৰিম।

শ্ৰীঅযোধ্যা ৰাম দাস—জানুৱাৰী মাহৰে চেনি কোটা আজি ফেব্ৰুৱাৰীৰ ৭ তাৰিখ পালেহি। জানুৱাৰী মাহৰে ২•৭৫ কুইন্টল চেনি গোৱালপাৰাত দিয়া হ'ল কিন্তু আজিলৈ ৪৪৫ কুইন্টল আমি পোৱা নাই। এই বিষয়ে

ব্যক্তিগত ভাবে মই মন্ত্ৰী মহোদয়ক লগ ধৰি কৈছো। গতিকে অতি সোনকালে পোৱাৰ আশ্বাস দিব নেকি ?

শ্ৰীগোলাপ চন্দ্ৰ বৰুৱা—মন্ত্ৰী মহোদয়ে কৈছে যে গোৱালপাৰাৰ বাহিৰে বাকী গোটেই প্ৰদেশতে চেনি দিয়া হৈছে। কিন্তু নগাওঁত নবেম্বৰ, ডিচেম্বৰ মাহৰ অংশ দিয়া নাই। প্ৰায় ৯০০ বেগ চেনি নগাওঁৰ পৰা কাতি আনি গুৱাহাটীত দিছে এই কথা সঁচানে ? নগাওঁত আজি ২ মাহে চেনি বিতৰণ হোৱা নাই।

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী )—গোৱালপাৰালৈ যোৱা ৪ তাৰিখে চেনি পঠিওৱা হৈছে। সংখ্যাটো মোৰ হাতত নাই। মোৰ স্মৰণৰ পৰা কব পৰা নাই। বাকী ঘাটিখিনি পূৰণ কৰাৰ যত্ন কৰা হৈছে।

শ্ৰীবৰুৱা ডাঙৰীয়াই কৈছে যে চেনিৰ নাটনি নগাওঁতো হৈছে। চেনিৰ নাটনি নগাওঁতে নহয় গোটেই জিলাতে নবেম্বৰ মাহত চেনিৰ নাটনি হৈছিল। বিহুৰ আগে আগে গুৱাহাটীত চেনিৰ নাটনি হোৱাত নগাওঁৰ ষ্টকৰ পৰা চেনি অনা খবৰটো মই পাইছো। আৰু ইতিমধ্যে ঘাটি পূৰণ কৰিবলৈ দিয়া হৈছে।

Shri Syed Ahmed Ali, ( Minister )—Sir, I beg to move that the House do now agree to the recommendations contained in the Final Report of the Rules Committee as laid on the Table under Rule 260 (2) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.

Mr. Speaker—The motion is moved.

The motion is passed.

Now, item No. 5,

শ্ৰীসোনেশ্বৰ বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত যোৱা কালি বিতৰ্ক আৰম্ভ কৰোতে মই কৈছিলো যে ৰাজ্যখনৰ পৰিস্থিতি সমূহ ঢাকি ৰাখিবলৈ চেষ্টা কৰিছে আৰু তেখেতৰ ভাষণত ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ বিষয় একোটাক উপলুঙাকৈ ব্যাখ্যা কৰিছে। উদাহৰণ মই

কালিয়ে দাঙি ধৰিছো। ঠিক তেনেকৈ তেখেতৰ ভাষণৰ পঞ্চম পৃষ্ঠাত যোৱা বছৰ অসমত যিটো বানপানী হোৱা বুলি কৈছে সেই বানপানীৰ ব্যাখ্যা কৰি এষাৰ কথা উল্লেখ কৰিছে যে ১৩টা জীৱ হানি হ'ল। এই ১৩টা জীৱ মানুহ নে গৰু, পছু তাক তেখেতে কবলৈ ভাল নাপালে। এই ১৩টা জীৱ যদি মানুহ হয় আৰু তেতিয়াহলে তাৰ কাৰণে যদি তেখেতৰ দয়া, হৃদয় আছিল দুখ প্ৰকাশ অন্ততঃ কৰিব লাগিছিল। মানুহৰ এই জীৱ কেইটাৰ প্ৰতি তেখেতে অকণো দুখ প্ৰকাশ নকৰিলে।

ঠিক তেনেকৈয়ে ৰাজ্যখনত হৈ থকা নানান কথা তেখেতে বাদ দি গৈছে। খাদ্য দ্ৰব্য আৰু আৱশ্যকীয় বস্তু-বাহানিৰ জুই-চাই মূল্য বৃদ্ধি সম্পৰ্কেও ৰাজ্যপালৰ ভাষণত বিশেষ উল্লেখ নাই। ১৯৭৩ চনৰ ১৮ ডিচেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈকে ৰাজ্যখনৰ প্ৰায় ৫৫ হেজাৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে কৰা ধৰ্মঘট আৰু তাৰ মীমাংসাৰ ব্যৱস্থা আজিও ৰাজ্যপালৰ ভাষণত নাই। ৰাজ্যখনৰ সমষ্ট তেল, চেনি আটাই-বোৰ আনি গুৱাহাটী পৌৰ নিগমৰ ইলেকচন সলফ কৰি তুলিবলৈ খুৱাই-বুৱাই অনেক চেষ্টা কৰিও কিয় পৰাজয় বৰণ কৰিলে সেইটোও ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা উচিত আছিল। সেইখিনি তেখেতে উল্লেখ কৰিবলৈ সাহ নকৰিলে। ঠিক তেনেকৈয়ে নিবনুৱা সমস্যাই ৰাজ্যখনত সৃষ্টি কৰা অৱস্থাৰ কথা উল্লেখ থাকিব লাগিছিল। সেইখিনিটো ৰাজ্যপালৰ ভাষণত দেখিবলৈ নাপালো। ধান-চাউলৰ বাণিজ্য-ব্যৱসায় সম্পৰ্কতো যথেষ্ট ত্ৰুটি-বিচ্যুতি থাকি গ'ল। এইবাৰ ৰাইজে চাউল খাই নে পিঠাগুৰি খাই নাইবা আন কিবা খাই পেট ভৰাব লাগিব সেই বিষয়েও এটা ভাল ব্যৱস্থা চৰকাৰে দাঙি ধৰিব নোৱাৰিলে। বিদায়ী ৰাজ্যপালে অসমৰ জনসাধাৰণলৈ যি ইঙ্গিত দি থৈ গ'ল আৰু নতুন ৰাজ্যপালে অসমৰ শাসন ভাৰ লোৱাৰ পিচত তেখেতৰ নেতৃত্ব তেখেতে কি ভাবে দিব সেই কথাও ৰাজ্যপালৰ ভাষণত দাঙি ধৰা নহ'ল।

ব্ৰহ্মপুত্ৰ বান্ধ নিয়ন্ত্ৰণ সম্পৰ্কত যি বেমেজালি হৈছে সেই বেমেজালি আঁতৰোৱাৰ নামত আজিলৈকে খুটি এটা, মাটি এচপৰা দিয়া দেখা নাই। উপাধ্যক্ষ মহোদয়, অস্থায়ী ৰাজধানী দিশপুৰত নিৰ্মাণ কৰাৰ কথাটোকে ৰাজ্যপালৰ ভাষণত বেচিকৈ উল্লেখ কৰা হৈছে। অসমৰ ৰাজধানী চিলঙত

এশ বছৰকৈ থকাৰ পিচত অস্থায়ীভাৱে দিশপুৰত প্ৰতিষ্ঠা কৰোঁতে যথেষ্ঠ আসোঁৱাহ থকাৰ কথা উল্লেখ কৰিছে। ছোৱালী এজনী উলিয়াই দিলেও, আৰু লগত লাম-লাকটু ছুডোখৰ লগত দিয়া হয়। ভাই-ককাই হলেও কাঁহি-বাতি, ধান-চাউল যি থাকে ভগাই দিয়া হয়। কিন্তু অসমৰ ৰাজধানীখন চিলঙৰ পৰা দিশপুৰলৈ নমাই আনোতে লগত এপদো বস্তু আনিবলৈ নোপোৱাৰ কথাটোও ৰাজ্যপালৰ ভাষণত উল্লেখ থকা উচিত আছিল। কিন্তু ইয়াত কোৱা হৈছে যে অস্থায়ী ৰাজধানীখন সজাই-পৰাই তোলাত আমাৰ কৰ্মী আৰু কৰ্মচাৰী সকলে নানা দৈন্যতাৰ সন্মুখীন হব লগা হৈছে তাৰ বাবে ধন্যবাদ। ধন্যবাদ দিব নোৱাৰি বুলি নকওঁ। কিন্তু ইয়াৰ কাম-কাজ ভাগ বতোৱাৰ ক্ষেত্ৰত এটা কথা বেচকৈ পৰি-লক্ষিত হৈছে যে উজনি অসমৰ ডেকাই বা উপযুক্তলোকে এতিয়ালৈকে তাৰ ভাগ পোৱা নাই। ঠিকা আদি উজনিৰ জিলা কেইখনৰ কেইজন ডেকাই পাইছে। আজি উজনি অসমৰ মানুহৰ মনত উদ্গীৰণ সৃষ্টি হৈছে, আজি বিষয়টো দকৈ চাব লগা হৈছে। অস্থায়ী অসমৰ ৰাজধানীৰ নিৰ্মাণ কাৰ্যই আজি জনসাধাৰণক হতাশ কৰি তুলিছে। যিসকল কৰ্মচাৰীয়ে ইয়াত কাম কৰিবলৈ আহিছে তেওঁলোকে থকা ঘৰৰ অভাৱত গুৱাহাটী চহৰত বলীয়া কুকুৰৰ দৰে ভাৰা ঘৰ বিচাৰি ফুৰিব লগা হৈছে। থকাৰ সুবিধা আৰু ভাৰা ঘৰ নাপায় জোৰকৈ ঘৰ লোৱাৰ ফলত তেওঁ-লোকৰ কোনোবা কেইজনমান চাচ্পেনত থাকিব লগা হৈছে। আজি গুৱাহাটীত ঘৰ ভাৰা নিয়ন্ত্ৰণ আইন থকা স্বত্বেও নিয়ন্ত্ৰণৰ কোনো ব্যৱস্থা নাই। ৰাজধানীৰ স্থান স্থায়ীভাৱে নিৰ্ণয় নোহোৱা কাৰণেই আজি চাকৰিয়ালৰ এনে অৱস্থা হৈছে। স্থায়ীভাৱে ৰাজধানীৰ স্থান নিৰ্ণয় হোৱা হলে ৰাজধানীৰ আশে-পাশে এক দুই তিনি মাইলৰ ভিতৰত বহুত লোকে মাটি-বাৰি কিনি হলেও থকা ঘৰ এডোখৰৰ বন্দবস্ত কৰি লব পাৰিলেহেতেন। ১০ বছৰলৈ যদি ৰাজধানী অস্থায়ী হৈয়ে বয় তেন্তে এজোজন কৰ্মচাৰীয়ে অন্ততঃ মাহে ১০০ টকাকৈ ভাৰা ভৰিলেও ১২,০০০ টকা ভাৰা ভৰিব। সেই টকাৰে এটা থকা ঘৰ সাজিব পাৰিলেহেতেন।

উপাধ্যক্ষ মহোদয়, অস্থায়ী ৰাজধানীৰ বিষয়টো মই সদায়েই বিৰো-ধীতা কৰি আহিছো আৰু আজিও কৰিছো। মই মোৰ নিজৰেই

প্ৰস্তাৱত অসমৰ ৰাজধানী তুৰন্তে ভৈয়ামৰ কোনো এক সুচল স্থানলৈ স্থানান্তৰ কৰা হওক বুলি কৰা প্ৰস্তাৱ বিধান সভাত সৰ্বসন্মতি ক্ৰমে গৃহীত হৈছিল। ৰাজধানীখন স্থানান্তৰ কৰা হওক বুলি কওঁতে এইটো বুজাই যে অসমৰ ৰাজধানীখন চিলঙৰ পৰা নমাই নি কৰবাত অস্থায়ী ভাবে পতা হওক। ৰাজধানীখনৰ স্থায়ী স্থান ক'ত হব বিধান সভা এই বহি থকা অধিবেশনৰ কালতে ঘোষণা কৰা হওক। ৰাজধানীৰ স্থান অস্থায়ী ভাবে ঘোষণা কৰা বিষয়টোত ৰাইজৰ আবেগিক খেলি-মেলি সদায় জীয়াই থাকিব।

উপাধ্যক্ষ মহোদয়, অস্থায়ী ৰাজধানী নিৰ্মাণৰ নামত গোটেই অসমৰ টিংপাত, চিমেণ্ট, লোহা আদি ৰাজধানীৰ কোটা বুলি যোগান ধৰা হৈছে। জনসাধাৰণে বিচাৰিলে টিংপাত, লোহা-লক্কৰ আদি নাপায়। কিন্তু অসমৰ জনসাধাৰণৰ পৰা চান কাঢ়ি অনা এই বস্তুবোৰ বাংলা-দেশলৈও পঠোৱা হৈছে। ৰাজধানী নিৰ্মাণৰ কাৰণে চিমেণ্ট, লোহা টিনপাত আদি আৱশ্যকীয় বস্তুখিনি অসমৰ জনসাধাৰণৰ পৰা পেটু কাঢ়ি, চান কাঢ়ি আনি ইয়াৰে বহুখিনি অপব্যৱহাৰ কৰা হৈছে। যিহেতুকে পূৰ্বৰ এখন ৰাজ্যকে দুভাগ কৰা হ'ল আৰু কেৱল মেঘালয়কে ৰাজধানীৰ সকলো সম্পত্তি এৰি দিব লগা হ'ল তেন্তে কেন্দ্ৰই অসমৰ জনসাধাৰণৰ কাৰণে কিয় আৱশ্যকীয় ধন আৰু টিনপাত, চিমেণ্ট, লোহা আদি নিদিব? কেন্দ্ৰীয় চৰকাৰৰ পৰা এই বিলাক বস্তু আদায় কৰিবলৈ অসম চৰকাৰে কিয় অক্ষমতা প্ৰকাশ কৰিছে? অসম চৰকাৰৰ দুৰ্বল নেতৃত্বৰ কাৰণেই নহয় নে? সঁচা কথা। আমাৰ এজন বন্ধু মাননীয় সদস্য শ্ৰীখিৰোদ শইকীয়া ডাঙৰীয়াই এবাৰ সঁচা কথা কৈছে যে এই চৰকাৰ শাসনলৈ অহাৰ মাত্ৰ ১ বছৰ ১০ মাহহে হৈছে। সঁচা কথা, কেচুৱাৰ বয়স যেতিয়া ১ বছৰ ১০ মাহ হয় তেতিয়া আঠুকঢ়া অৱস্থাতে থাকে। ঠিয় হব পৰা নহয়। এতিয়া আমাৰ এই চৰকাৰৰ বয়স ১ বছৰ ১০ মাহ হৈছে যেতিয়া এই চৰকাৰো কেচুৱাৰ দৰে আঠু লোৱা অৱস্থাতে আছে ঠিয় হব পৰা হোৱা নাই। যদি ঠিয়ই হব পৰা নাই তেনেহলে আমি এই চৰকাৰৰ পৰা আৰু কিমান কি আশা কৰিব পাৰো। আঠুকঢ়া ল'বাৰ দৰে অসম চৰকাৰে মাকৰ গাখীৰ বিচাৰিছে। অসম চৰকাৰৰ

১ বছৰ ১০ মাহৰ কথাই কোৱা নাই, স্বাধীনতাৰ আগৰ কথা মই কবলৈ যোৱা নাই, স্বাধীনতা পোৱাৰ ২৬ বছৰৰ পিচতো এইযাৰ কথা কৈয়েই আত্মতুষ্টি লাভ কৰি থাকিলে হব নে ?

ধান-চাউলৰ ব্যৱসায়ৰ ক্ষেত্ৰত যোগান মন্ত্ৰীয়ে প্ৰশ্নোত্তৰ কালত এষাৰ কথা কৈছে যে ধান সংগ্ৰহৰ ক্ষেত্ৰত তেখেত সকলে বোলে এজেণ্ট নিয়োগ কৰা নাই। আৰু তেতিয়া নিয়োগ কৰা এজেণ্টৰ নাম কবলৈ কৈছিল। মই নাম বিলাক এতিয়া কব খুজিছো। আপোনালোকে জানে যে গোলাঘাট মহকুমাৰ আটাইতকৈ বেচি ধান সংগ্ৰহ কৰা সমবায় খন হ'ল মেৰাপানী। দিয়াং বিজাৰ্ভৰ ভিতৰত থকা তিনিখন পঞ্চায়তৰ ভিতৰত এখন হ'ল মেৰাপানী। আজি তাত ১৬ হাজাৰ কুণ্টইল ধান সংগ্ৰহ কৰা হৈছে। বেদখলী মানুহ বুলিও উচ্ছেদ কৰাৰ পিচত কৰা খেতিৰ পৰা চৰকাৰে ১৬ হাজাৰ কুইণ্টল ধান সংগ্ৰহ কৰিছে। এই সমবায়ত চেয়াৰ হলদাৰ ১২ হাজাৰৰো বেচি হৈছে। অসম চৰকাৰে ধান কিনিবলৈ টকা দিয়া নাই। তাৰ পৰিবৰ্ত্তে কোৱা হৈছে যে যি সকলে ব্যক্তিগত ভাবে ধান কিনি সমবায়ক দিব পাৰে তেওঁলোকক ব্যক্তিগত এজেণ্ট দিয়া হব। সেই এজেণ্ট সকল হৈছে ১। শ্ৰীনৰেন কোঁৱৰ ২। শ্ৰীসোনেশ্বৰ গগৈ ৩। শ্ৰীগোবিন্দ বৰা ৪। শ্ৰীনাৰায়ন আগৰৱালা ৫। শ্ৰীজগদীশ প্ৰসাদ থাপৰীয়া ৬। শ্ৰীসতৰাম দাস ৭। শ্ৰীৰামগোপাল মিশ্ৰ ৮। চণ্ডিপ্ৰসাদ শৰ্মা ৯। শ্ৰীগোপাল দাস ১০। শ্ৰীৰামেশ্বৰ লাল শৰ্মা ১১। শ্ৰীৰামপ্ৰসাদ নেওৱাৰ ১২। শ্ৰীফুটকা শইকীয়া ১৩ শ্ৰীসোনাৰাম শইকীয়া ১৪। শ্ৰীগুনিন্দ্ৰ শৰ্মা ১৫। শ্ৰীতনুৰাম গগৈ ১৬। ওমৰ আলি ১৭। শ্ৰীসৰুমন বৰা ১৮। শ্ৰীনৰাম বৰা ১৯। শ্ৰীৰামচৰণ বৰা। এই ১৯ জন মানুহক নিজৰ ধনেৰে ধান সংগ্ৰহ কৰিবৰ কাৰণে যোগান বিভাগৰ ফালৰ পৰা এজেণ্ট হিচাবে ব্যৱস্থা কৰিছে। এইয়া কেৱল এখন সমবায়ৰ কথাহে। এনে ধৰণৰ আৰু বহুত ঠাইত হৈছে। কব নোৱাৰো, বিধান সভাৰ নিচিনা এখন পবিত্ৰ সদনত এজন মন্ত্ৰীয়ে কেনেকৈ কৈ দিলে এই বিলাক নাজানো বা কৰা নাই বুলি। আজি যি সকলক ধান কিনিবলৈ এজেন্সী দিয়া হৈছে তেওঁলোকে বহুত খেতিয়কক নগদ ধন দিয়া নাই। আৰু চৰকাৰে ঘোষণা কৰিছে যে কেচা কটা নহয়, তিতা কটা নহয়,

পটান কটা নহয়। কিন্তু বহু এজেণ্টে প্ৰতি কুইণ্টলত ৫।৬ কেজিকৈ পটান কাটিছে। আৰু ধানৰ মূল্য প্ৰতি কুইণ্টলত ৭০ টকাৰ ঠাইত ৬০ টকাকৈ খেতিয়কক দি আহিছে। সেই ফালৰ পৰাও খেতিয়ক সকলৰ লোকচান হৈছে। তেওঁলোকে নগদ ধন নিদিয়াৰ কাৰণে প্ৰতি-বাদ কৰাত অলপতে কাৰু পথাৰ সমবায়ক ধান কিনা সম্পৰ্কত ৬ জন ছাত্ৰক গ্ৰেপ্তাৰ কৰা হৈছিল। কিন্তু কিয় গ্ৰেপ্তাৰ কৰা হৈছিল ? তেওঁ-লোকে ৰাইজক লৈ এটা আন্দোলন গঢ়ি তুলিছিল যে ধান দিয়াৰ বাবদ শ্লিপ নিদি নগদ ধন দিব লাগিব। কাৰণ শ্লিপ দি কোনো দোকানৰ পৰা বস্তু লব পৰা নাযায়। কোনো দোকানতেই শ্লিপদি কোনো দোকানৰ পৰা বস্তু লব পৰা নাযায়। কোনো দোকানতেই শ্লিপ দি বস্তু কিনিব নোৱাৰি। তেওঁলোকে তেতিয়া ক'লে যে আপোনালোকে এনেকুৱা ব্যৱস্থা কৰক—যাতে চিল্‌প দিও দোকানৰ পৰা বস্তু আনিব পৰা হয়। আৰু তাকে এজেণ্ট বিলাকে নকৰাৰ কাৰণে আন্দোলন গঢ়ি তোলে। এই ছাত্ৰ কেইজনে নেতৃত্ব কৰে। তাৰ ফলতে তেওঁলোকক গ্ৰেপ্তাৰ কৰা হয়। তাৰ পাচত কি হ'ল এই ছয়জন ছাত্ৰৰ মুক্তিৰ দাবীত ডিব্ৰুগড়ত ছাত্ৰৰ ধৰ্মঘট হ'ল। চৰকাৰে ১৪৪ ধাৰা জাৰি কৰিলে। ছাত্ৰই ভঙ্গ কৰিলে। সেই ঠাইৰ সকলো ছাত্ৰই আন্দোলন কৰিবলৈ ধৰিলে তেতিয়া ৭০ জন ছাত্ৰক গ্ৰেপ্তাৰ কৰা হ'ল। কিন্তু যেতিয়া এই ৭০ জন ছাত্ৰক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত আন বিলাক ছাত্ৰই গোটেই ডিব্ৰুগড় জিলাত আন্দোলন কৰিছে তেতিয়া সকলোকে বিনা চৰ্ত্তে মুক্তি দিয়া হ'ল। আজি আমাৰ এই বিলাকেই হৈছে সমবায়ৰ ব্যৱস্থা। আচলতে অসম চৰকাৰৰ ধান কিনাৰ ঘোষিত নীতি সম্পূৰ্ণ অকাৰ্য্যকৰী হৈছে। এতিয়া আৰু এটা সমস্যা হৈছে। মই এই কথা আগতেও এই বিধান সভাতে কৈ আহিছো আৰু এতিয়াও কওঁ যে প্ৰতি কুইণ্টলত ১৬০ টকা যদি চাউলৰ দাম ৰক্ষা কৰে তেনেহলে ধানৰ দাম প্ৰতি কুইণ্টলত ৭০ টকাৰ বহুত বেচি বাঢ়ি যাব। হয়তো এইখিনিতে এটা প্ৰশ্ন হব পাৰে যে ধানৰ দাম বেচি হলেও সেই টকা খেতিয়ক সকলে পাব। এইটো থিক কথা যে সেই টকা খেতিয়ক সকলে পাব। এইটো শুনিলে আমি ভাল পাম। কিন্তু যি সকল খেতিয়কে অভাৱত পৰি দুই তিনি মাহৰ আগ-তেই কম দামতে ধান বিলাক বিক্ৰী কৰি দিলে এতিয়া ৩৫ টকা হলেও

সেই সকল খেতিয়কে কি পাব ? তেওঁলোকৰ ইতিমধ্যে যি লোকচান হৈ গল সেই লোকচান কোনে পূৰাই দিব ? এইদৰে মৰাকে মাৰি থকাটো উচিত কথা হোৱা নাই। চৰকাৰে কুইন্টলত ৭০ টকা ধানৰ দাম কৰিলেও সৰু সৰু বেপাৰী বিলাকে বজাৰত মোনে ৩৫ টকালৈ ধান লৈয়ে থাকিব। কোনো খেতিয়কেই ২৮ টকাকৈ ধান দিবলৈ বৈ নেথাকে। চৰকাৰৰ মধ্যস্থগিৰিৰ বিলুপ্তি সাধন কথাটো সম্পূৰ্ণ অকৃতকাৰ্য্য হৈছে।

উপাধ্যক্ষ মহোদয়, ১৯৭৩ চনৰ ১৮ ডিচেম্বৰ তাৰিখৰ পৰা ৩১ ডিচেম্বৰ তাৰিখলৈকে চৰকাৰী কৰ্মচাৰী সকলে যি ধৰ্মঘট কৰিলে তাৰ যুক্তি যুক্ততা আছে নে নাই মই সেই কথালৈ যাব বিচৰা নাই। কিন্তু এইটো একেবাৰে গুলাই কৰিব পৰা কথা নহয়। সেই সময়ত অসমৰ যুৱক কংগ্ৰেছৰ তৰফৰ পৰা এটা প্ৰস্তাবত কোৱা হৈছিল যে কৰ্মচাৰী সকলে কলম নচলালে যুৱক কংগ্ৰেছে কলম চলাব। এইটো এটা একেবাৰেই অসম্ভৱ কথা। যেতিয়া ৰেলওৱে কৰ্মচাৰী সকলে ধৰ্মঘট কৰিলে, যেতিয়া এৰোপ্লেনৰ কৰ্মচাৰী সকলে ধৰ্মঘট কৰিলে তেতিয়া সৈন্যবাহিনী নিয়োগ কৰিবলগীয়া হ'ল। কিন্তু তেওঁলোকে ৰেল বা এৰোপ্লেন চলাব নেজানে। তেতিয়া যুৱক কংগ্ৰেছে ৰেল গাড়ী নচলালে কিয় ? এৰোপ্লেন নচলালে কিয় ? এতিয়া যে কলম চলাবলৈ আহিছে ? কলম চলাব এওঁলোকে জানে ? কিন্তু স্বাধীনতা আন্দোলনৰ সময়ৰ কথা বেলেগ আছিল। সেই সময়ত জয়প্ৰকাশ নাৰায়নৰ নিচিনা নেতাই ৬০ মাইল গতিৰ তুফান ৰেলত উঠা-নমা কৰিব পাৰিছিল। ৰেলগাড়ী চলাব পাৰিছিল। বিজু পাটনায়কে স্বাধীনতা আন্দোলনৰ এইজন নেতা জয়প্ৰকাশ নাৰায়নে আত্মগোপন কৰি থকা অৱস্থাতে যুদ্ধৰ এৰোপ্লেনৰ পৰা চিপাহীৰ মনত স্বাধীনতাৰ বীজ সিঁচিবলৈ, বিদ্ৰোহী কৰি তুলিবলৈ "চিপাহীকো লিয়ে" নামৰ তেখেতে লিখা কিতাপখন বিলাইছিল। আজি বিজু পাটনায়কৰ ৰাজনীতি যিয়েই নহওক—সেইদিনা সেই এৰোপ্লেন কিন্তু বিজু পাটনায়কেই চলাইছিল। বিজু পাটনায়কে চলোৱা যুদ্ধৰ এৰোপ্লেনত উঠি জয়প্ৰকাশ নাৰায়ণে ডিমাপুৰৰ যুদ্ধ চাইছিল। স্বাধীনতা আন্দোলনৰ সেই সময়ত যি সকল নেতা আছিল যেনে—জয়প্ৰকাশ

নাৰায়ণ, ডাঃ ৰাম মনোহৰ লোহিয়া, বিজু পাটনায়ক, তেখেত সকলে বেলগাড়ীও চলাব পাৰিছিল, এৰোপ্লেন, মটৰ গাড়ীও চলাব পাৰিছিল আৰু আন্দোলনো কৰিব পাৰিছিল, আইনো তৈয়াৰ কৰিব পাৰিছিল। এতিয়া কিন্তু তেনেকুৱা বিপ্লৱী লোক নাই।

ড্ৰাইভাৰ নহলে মটৰ-গাড়ী বন্ধ হয়, চালক নহলে ৰেল বন্ধ হয় আৰু কেৰাণী নহলে কাছাৰী বন্ধ হয়—আজিও এই অৱস্থাটো চলি আছে। সেই শিক্ষা আচলতে আমাৰ এতিয়া হৈ থকা অৱস্থাত নাই। অসম যুৱক কংগ্ৰেছ বা ভাৰত যুৱক কংগ্ৰেছে সেই আশা লৈ অসমৰ জনসাধাৰণে জীয়াই থাকিবলৈ কৰা আন্দোলনক বন্ধ কৰিবলৈ চেষ্টা কৰিলেও জনসাধাৰণে তেওঁলোকক বিশ্বাসত নলয়। গতিকে বাস্তৱবাদী ব্যৱস্থা আজি লাগিব। উপাধ্যক্ষ মহোদয়, নগা সীমান্তৰ সংক্ৰান্তত কালিৰ প্ৰশ্নোত্তৰ কালত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল নগাৰ দ্বাৰা সুন্দৰম কমিটি বহা কালছোৱাত তেনেকৈ বেদখল হোৱা নাই। কিন্তু আগৰ বিধানসভাত এই মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা প্ৰশ্নোত্তৰত স্বীকাৰ কৰিছিল যে গেলেকী ৰিজাৰ্ভত ৪০০ একৰ মাটি, তুলীত যেতিয়া নগা চৰকাৰে কাগজৰ কল বহুৱালে সেই কাগজ কলৰ কাৰণে ঘৰ-দুৱাৰ দৰ্কাৰ হোৱাত, সেই ঘৰ-দুৱাৰৰ কাৰণে গেলেকী ৰিজাৰ্ভৰ ৪০০ একৰ মাটি বেদখল কৰি নগাই দখল কৰি আছে। সেই দখল লোৱা কালছোৱাত সুন্দৰম কমিটি বহি আছিল। আজি এনেকৈ যদি মুখ্যমন্ত্ৰী ডাঙৰীয়াই সীমান্ত ৰক্ষা কৰাৰ দায়িত্বৰ পৰা আঁতৰ হৈ আছে আৰু সুন্দৰম কমিটি বহি থকা কালছোৱাত নগাৰ দ্বাৰা বেদখল নহয় বুলি কয়—তেন্তে ই আশ্চৰ্য্যৰ কথা। দায়িত্ব পালনৰ পৰা তেওঁলোকে পিচলি অপাৰগতা প্ৰকাশ পোৱাৰ চূড়ান্ত পৰিচায়ক। এই ৪০০ একৰ মাটিত নগাসকলে ঘৰ-দুৱাৰ সাজি আছে আনহাতে ৰাজ্যপালৰ ভাষণত সীমান্তৰ পৰিস্থিতি শান্ত বুলি কৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেনেকৈ বেদখল হোৱা নাই বুলি কলে। দৈয়াং ৰিজাৰ্ভত দীঘল পানীত, চৰাই পানীত, সৰু পানীত, বৰ পানীত, চিচু পানীত আজি নগাই শ শ একৰ মাটি দখল কৰিছে ট্ৰেক্টৰেৰে হাল বাই, কুঁহিয়াৰ খেতি, ধান খেতি কৰিছে আৰু ইৰিগেচনৰ ব্যৱস্থা কৰিছে। আমাৰ চৰকাৰে সেই সকল নগাক আজি উচ্ছেদ কৰিব পৰা নাই।

গতিকে ৰাজ্যপালৰ ভাষণত দেখিছো অসমৰ সুঠাম নেতৃত্বৰ অভাৱত এই কথাবিলাক ঢাকি ৰাখিবলৈ ব্যৱস্থা কৰিছে।

আজি ব্ৰহ্মপুত্ৰৰ বানপানী আহোঁ আহোঁ। দুমাহৰ পিচত বানপানী আহিব। চৰকাৰে এতিয়া ইঞ্জিনিয়াৰক বদলি কৰিবনে চিফ ইঞ্জিনিয়াৰক বদলি কৰিবনে এচ, ডি, অক বদলি কৰিব নে কাৰ জোঁৱায়েকক, ভাগিনীয়েকক ক'ত ৰাখিব আদিতে ব্যস্ত। যোৱাবাৰ ব্ৰহ্মপুত্ৰৰ বানে যিবোৰ বান্ধ ভাঙিলে সেইবোৰৰ মেৰামতি নহ'ল বোকনি সমষ্টিৰ, মায়ং সমষ্টিৰ বাইজে এতিয়া কি কৰিব। ব্ৰহ্মপুত্ৰৰ বান আহে আহে অৱস্থা পালেহি। এতিয়ালৈকে বান্ধত কোৰ এচাৰো মৰা নাই। ৬০ কিলোমিটাৰ বান্ধ আধা কৰা হৈ ৰল। খেতিয়কে খেতি কৰা ঠাইলৈ ব্ৰহ্মপুত্ৰৰ বাট মুকলি হৈ আছে। বান নিয়ন্ত্ৰণৰ খবৰেই নাই। এইটো গুলাই কৰা সমস্যা নহয়। যদি অসম চৰকাৰে এইখিনি কামৰ ওপৰত ব্যৱস্থা নকৰে তেন্তে কিয় এই চৰকাৰৰ আৱশ্যক হল ? যাৰ যি ইচ্ছা সেই মতে হাত মেলি মেলি নচা। খেতি কৰাই খেতি কৰি খাব, চুৰ কৰাই চুৰ কৰি খাব ডকাইত কৰি খাব—এইটো হল গণতন্ত্ৰ নেকি ? সঁচা কথা যে ইউ, পিৰ নিৰ্বাচনৰ কাৰণে গোটেই ভাৰতবৰ্ষৰ তেল টেঙা নিমখ চেনি গোটাই লৈছে। গুৱাহাটীৰ পৌৰসভাৰ নিৰ্বাচনৰ কাৰণেও টেঙা নিমখ চেনি দমাই লৈছিল। তেল টেঙা দমাই ৰাখিলে কি হব। আচল সমিধান ৰাইজে দিছে। ইউ, পি, উৰিষ্যা, মণিপুৰতো আচল সমিধান ৰাইজে দিব। ৰাইজে পৰোৱাই কৰা নাই। তেল টেঙা সমভাবে বিতৰণ কৰাৰ কথা ভাবক।

উপাধ্যক্ষ মহোদয়, নগা সীমান্তৰ দিচৈ চুক্তি, গেৰেকী চুক্তি, কাৰদঙা চুক্তি, দৈয়াং চুক্তি যেতিয়ালৈকে নাকচ কৰিব নোৱাৰে, বাতিল কৰিব নোৱাৰে তেতিয়ালৈকে সীমান্ত সমস্যা সমাধান নহয়, সীমা ৰক্ষা কৰিব নোৱাৰে। এই কথা মই খুব বেচিকৈ উপলব্ধি কৰিছো যদি সীমা ৰক্ষা কৰিব লগা হয় তেন্তে আপুনি জানে যে আমাৰ ভাৰতবৰ্ষৰ ৰাস্তা কেইটাত যিমান মাটি আছে তাতোকৈ কম আয়তনৰ ইজৰাইল। এই আয়তনৰ দেশখনে পৃথিবীত চমকপদ যুদ্ধ কৰি দেখুৱালে। দেশ ৰক্ষাৰ ব্যৱস্থা কি ? ইজৰাইলৰ সীমান্তত মানুহ বিলাক ঘনকৈ বহুৱাই দিছে। একেজনেই

খেতি কৰে, বন্দুক লৈ যুদ্ধ কৰিব পাৰে তাৰ শিক্ষা দিছে। ভেকুলীৰ মূৰটোৰ সমান এই দেশখনে গোটেই পৃথিবীত চমক লগাই দেখুৱাইছে। আগৰজন ৰাজ্যপালে বিদায় ভাষণত কৈছিল যে পূৰ্বাঞ্চলৰ কাৰণে কোনেও মাতোতা নাই। আমাৰ বিদায়ী ৰাজ্যপাল শ্ৰীনেহেৰুৱে যাবৰ সময়ত আমাৰ মুখ্যমন্ত্ৰী প্ৰমুখ্যে সাতখন ৰাজ্যৰ নেতা সকলে প্ৰধান মন্ত্ৰীৰ ওচৰত মেমৰেনডাম দিছিল আৰু পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনক মাওবে উতিবলৈ পৰামৰ্শ দিছিল। অৰ্থাৎ এই ৰাজ্য কেইখনে যেন একেজন ৰাজ্যপালৰ তলতে থাকে। আমি মনত ৰাখিব লাগিব শ্ৰীব্ৰজকুমাৰ নেহৰুৰ দিনত অসমখন সাতখন ৰাজ্যত বিভক্ত হল। শ্ৰীব্ৰজকুমাৰ নেহৰুৰ পিচতে এতিয়া শ্ৰী এল, পি, সিং ৰাজ্যপাল হৈ আহিল। তেওঁ গৃহমন্ত্ৰীৰ চেক্ৰেটৰী আছিল। যিজনে পূৰ্বাঞ্চলৰ ৰাজনৈতিক নক্সা তৈয়াৰ কৰিছিল। তেৱেঁই পুনৰ শাসন কৰিবলৈ আহিছে ৰাজ্যপাল হিচাবে শ্ৰীব্ৰজকুমাৰ নেহৰুৰ নেতৃত্বত থৈ গ'ল সাতখন প্ৰদেশ যি দিল্লীক সেৱা কৰি থকাৰ বাদে গত্যন্তৰ নাই। মই সমাজবাদী লোক হিচাবে সেইষাৰ কথাত পতিয়ন যোৱা নাই। দূৰ্ভাগ্যৰ কথা মই যোৱা চেচনত বক্তৃতা দি থাকোতে হাঁগজেৰৰ শেষ সময় উপস্থিত হল—মোৰ বক্তৃতা শেষ নহল। সংবিধান সংশোধনীৰ ক্ষেত্ৰত আৰু পাৰ্লিয়ামেণ্টৰ চিট বঢ়োৱাৰ ক্ষেত্ৰত সকিয়াই দিছো—ব্ৰজকুমাৰ নেহেৰুৰ বিদায় বাণী।

আজি যিখন ৰাষ্ট্ৰসংঘত ৭০ কোটি মানুহৰ চীনৰ এজন সদস্য, ৫৬ কোটি ভাৰতবৰ্ষৰ এজন সদস্য, ২৫ লাখ ইজৰাইলৰ এজন মেম্বাৰ। ঠিক সেই ধৰণে পাৰ্লিয়ামেণ্টও অসমৰ জনসংখ্যা ডেৰ কোটি হোৱাৰ কাৰণে আৰু উত্তৰ প্ৰদেশৰ সাত কোটি হোৱাৰ কাৰণে অসমতকৈ চাৰি ভাগ বেছি এম, পি, হব নোৱাৰিব। নগা পাহাৰৰ দুজন, ত্ৰিপুৰাৰ দুজন, মণিপুৰৰ দুজন, আৰু অৰুণাচলৰ এজন এই দৰেও হব নোৱাৰিব। অসম, পশ্চিমবঙ্গ, ইউ, পি আদি সকলোৰে সদস্য সমান হব লাগিব। ভাৰতবৰ্ষখন এখন আমাৰ যৌথ ৰাষ্ট্ৰ। আমি বিৰোধী দল হোৱা বুলিয়েই কথাষাৰ উলায় নকৰিব। যিদিনা আমাৰ পাৰ্টিৰ চৰকাৰ হব সেইদিনা বাকী সকল হব বিৰোধী দলৰ। এতিয়া আপোনালোকৰ চৰকাৰ হৈছে কাৰণে আমি বিৰোধী দলৰ। আমি আচলতে সংবিধানৰ বিষয়বস্তুৰ ভিতৰত থাকি কৰা সমালোচনাক বিৰোধী দল হিচাবে কৰা এইয়া আচল

কামহে। সংবিধানৰ অধিকাৰৰ বিৰুদ্ধে যোৱা সকলহে বিদ্ৰোহী।

সংবিধানৰ বিধিসম্মত যিখিনি আমাৰ জনসাধাৰণে নাপায় বা নিদিয়ে আমি তাৰহে বিদ্ৰোহ কৰো। আমি ভাবো যি সকলে গাদীত থাকি এইখিনি দিয়া নাই তেওঁলোকে সংবিধানৰ বিদ্ৰোহ কৰিছে। এইখিনিতে মই আৰু এটা কথা কওঁ অৱশ্যে সংবিধানে কৈছে যেতিয়া মই কোৱাটো অন্যায় নহব। আমাৰ যি সকল অনুসূচিত জাতি আৰু জনজাতি বা ট্ৰাইবেল—উপাধ্যক্ষ মহোদয়, আপুনি নিজে অসমৰ অন্যান্য পিচপৰা জাতি সংঘৰ সভাপতি আৰু ময়ো সেই জাতিৰ ভিতৰতে পৰো—আমি অন্যান্য পিচপৰা জাতিৰ কথা কলে হয়তো অন্য উচ্চ বৰ্ণ হিন্দু আদিয়ে সাম্প্ৰদায়িকতা কৰা বুলি কব। অৱশ্যে সাম্প্ৰদায়িকতা যে একেবাৰে কৰা নাই সেইটোও নহয়। মই এজন সমাজবাদী মানুহ হিচাবে কওঁ যে স্বাধীনতাৰ ২৬ বছৰ পাচতো পিচপৰা বা অন্যান্য পিচপৰা জাতি সমূহৰ কাৰণে সংবিধানৰ এই সুবিধা থকাৰ কোনো আৱশ্যক নাই, নাইবা থাকিবও নালাগে। মোৰ বন্ধু সকলে নিশ্চয় মোক ইয়াৰ কাৰণে ভুল বুজিব। কিয় মই এওঁলোকক সুবিধা দিব নালাগে বুলি কৈছো। বেছি দিবলৈ পালে হয়তো ময়ো ভালেই পাম। যিহেতু ময়ো তাৰ ভাগ পাম। কিন্তু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখৰ পৰা সংবিধানে ১০ বছৰৰ কাৰণে পিচপৰা শ্ৰেণীক যি সুবিধা দিলে তাত সেইখিনি পূৰণ নোহোৱাত পুনৰ ১০ বছৰ ১০ বছৰকৈ দুবাৰ বঢ়াই দি এতিয়া ১৯৮০ চনলৈ বঢ়াই দিয়া হল। আমাৰ শাসন ব্যৱস্থাই আগবঢ়াই দি ৰাম নাম জপি আছে। এইদৰে হলে এই পিচপৰা জাতি সমূহে এই সমাজ ব্যৱস্থাৰ পৰা কোনদিনো মুক্ত হব সেইটো কোৱা টান। আচলতেই সমাজতান্ত্ৰিক ব্যৱস্থাৰ বিৰুদ্ধে গৈছে। আমি যদি সমাজবাদক বিশ্লেষণ কৰি চাওঁ ইয়াৰ মূলতে সমাজ-তান্ত্ৰিক অৰ্থনীতিৰ বিৰোধী কৰা হৈছে। গতিকে এই ব্যৱস্থা যদি প্ৰবৰ্ত্তি থাকে তেনেহলে দুখীয়াই দুখীয়াই লগ হব নোৱাৰে। বামুণৰ দুখীয়া এফালে যাব, কৈবৰ্ত্তৰ দুখীয়া এফালে যাব। আহোম, চুতীয়া আদি এফালে যাব। কাৰণ দুখীয়া সকল লগ হৈ ধনীৰ বিৰুদ্ধে যাব নোৱাৰাৰ এইটো ব্যৱস্থাহে। ৰাজনৈতিক আকাশত ইয়াৰ কাৰণে অৱশ্যে এটা জোৱাৰ উঠিছে। ফলত হৈছে কি সম্প্ৰদায়ে সম্প্ৰদায়ে পুজিপতি

গঢ়ি উঠিছে। ট্ৰাইবেলৰ মাজতো ধনী পুজিপতি সকলে তেওঁলোকৰ দৰিদ্ৰ সকলক শোষণ কৰিছে। ফলত দৰিদ্ৰ আৰু দৰিদ্ৰ হৈ গৈছে আৰু ইফালে সাম্প্ৰদায়িক মনোভাবে গা কৰি উঠিছে। এইদৰে ভাৰতবৰ্ষত গণতন্ত্ৰ গঢ়ি উঠিব নোৱাৰে। অৱশ্যে আমি এটা কথা স্বীকাৰ কৰো যে আজি বামুন উচ্চ বা উচ্চ বৰ্ণৰ হিন্দু এজন দুখীয়া দৰিদ্ৰ খুজি খোৱা হলেও তেওঁ খুজি মাগি হলেও তেওঁৰ ল'ৰাক পঢ়োৱাৰ ব্যৱস্থা কৰিব। কিন্তু আমাৰ অনুসূচিত, ট্ৰাইবেল বা অন্যান্য পিচপৰা জাতিৰ ধনী মানুহ হলেও তেওঁৰ ল'ৰা-ছোৱালীক পঢ়োৱাৰ ইচ্ছা নকৰে—দৰ্কাৰ হলে মাক-দেউতাকে কব আমাৰ ল'ৰাই হাল বাই খাব। অৱশ্যে এটা অজুহাত আছিল বামুণৰ ল'ৰাই হাল বাব নোৱাৰে। কিন্তু আজি বামুণৰ ল'ৰাই এগ্ৰিকালচাৰ ইন্‌স্‌পেক্টৰ হৈছে, ট্ৰেক্টৰেৰে হাল বাইছে, গৰু-মহেৰেও হাল বাইছে। আৰু সেই বামুণে বৌ, বৰালী চকল কৰি কৰি হোটেলৰ নামত গুৱাহাটী আদিৰ বজাৰত বিক্ৰী কৰিছে। আৰু সেই সকল বামুণৰতো আজি জাত যোৱা নাই। তেওঁলোকতো পৰাচিত হোৱা নাই। কিন্তু আমি মাছ বিক্ৰী কৰিলে জাত যায়। তেওঁলোকে আমাক পৰাচিত কৰে। অৱশ্যে মই ৰাজহুৱাভাবে ইয়াৰ প্ৰতিবাদৰ সন্মুখীন হব লাগিব আৰু হয়তো জবাবো দিব লাগিব। আমি আটায়ে জীয়াই থাকিবলৈ হলে যি সকল লাঞ্চিত হৈ আছো একগোট হৈ ইয়াৰ বিৰুদ্ধে যুদ্ধ কৰিব লাগিব। শ্ৰেণী বিহীন সমাজ এখনৰ কাৰণে সংগ্ৰাম কৰাৰ আমাৰ সময় হৈছে। কিন্তু শৰৎ সিংহ চৰকাৰৰ দিনত সৰ্বসাধাৰণ ৰাইজৰ আশা-ভৰষা পূৰণ নহব। কালি ভট্টাচাৰ্য্য ডাঙৰীয়াৰ এটা কথাৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে আমোলাতন্ত্ৰ নগলে সমাজতন্ত্ৰৰ প্ৰতিষ্ঠা নহয় বুলি কৈছে। কিন্তু আমোলা কোন? আমাৰ দেশৰ ডাঙৰ আমোলজন হ'ল ৰাজ্যপাল। ৰাজ্যপালৰ কাৰণে আমি মাহেকত ২ লাখ টকা খৰচ কৰিবলগীয়া হয়। গতিকে এই ডাঙৰ আমোলাজনক গুচাব লাগিব। অকল বক্তৃতা দিলেই নহব, সমাজতন্ত্ৰ আলোচনা বা বক্তৃতাৰ বস্তু নহয়। আজি বাস্তৱমুখী কৰ্ম ব্যৱস্থাই হে সমাজতন্ত্ৰ জানিব। কিন্তু যিখন দেশৰ প্ৰধানমন্ত্ৰীয়ে ১০ হাজাৰ টকাৰ পোচাক পিন্ধে সেইখন দেশত সমাজতন্ত্ৰ গঢ়ি উঠিব বুলি বক্তৃতা দিলেই আমি বিশ্বাস কৰিম নে?

শেষত এটা গল্প কৈয়ে মই মোৰ বক্তৃতাৰ সামৰণি মাৰিম। কংগ্ৰেছী সদস্য সকলৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ জনাই দিয়া বক্তৃতা মনোযোগেৰে শুনিছো। প্ৰথমতে ধন্যবাদ দিয়াৰ পাচত সকলোৱে এই ভাষণৰ ওপৰত হতাশাৰ ভাব দেখুৱাইছে। তাত কাৰো আন্তৰিকতা দেখা পোৱা নাই। আমাৰ দৰেই সমালোচনাও কৰিছে। গল্প এটা কওঁ।

গল্পটো হ'ল, এজন মানুহৰ দুগৰাকী ঘৈণীয়েক আছিল। মানুহজনৰ বয়সে লহিবিইছে। এগৰাকী ঘৈণীয়েকে পকা চুলি ভাল পায় আৰু এগৰাকী ঘৈণীয়েকে ক'লা চুলি ভাল পায়। অৰ্থাৎ ক'লা চুলি ভাল পোৱা গৰাকীয়ে পকা বেয়া পায় আৰু ই গৰাকীয়ে কেচা বেয়া পায়। ক'লা চুলি ভাল পোৱা গৰাকীয়ে পকা চুলি উভালে আৰু পকা ভাল পোৱা গৰাকীয়ে ক'লা চুলি উভালে। এনেকৈ দুয়ো চুলি উভালোতে চুলি নাইকীয়া হৈ গ'ল আৰু এটা সময়ত মানুহজন টকলা হৈ গ'ল। আমাৰ ৰাজ্যপালৰ ভাষণখনো তেনে টকলা হ'ল গ'ল।

এইখিনিকে কৈ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীতৰুণ চুতীয়া—মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ প্ৰতি সাধাৰণভাৱে সমৰ্থন জনাই কব খুজিছোঁ। ৰাজ্যপালৰ ভাষণত প্ৰথমতেই অস্থায়ী ৰাজধানী দিচপুৰলৈ অনাৰ কথা উল্লেখ কৰিছে। এখন ৰাজ্যৰ ৰাজধানী ১০০ বছৰতকৈও অধিক কাল এখন ঠাইত থকাৰ পিচত সেই ৰাজধানীখন অস্থায়ীভাৱে হলেও এবছৰৰ ভিতৰতে এখন নতুন ঠাইলৈ তুলি অনাটো সঁচাকৈয়ে কম সহজ কথা নহয়। অতি কম সময়ৰ ভিতৰতে এইটো কাম সম্ভৱ হৈছে। ৰাজধানীখন স্থানান্তৰিত কৰাত কিছুমান অসুবিধাৰ সন্মুখীন হবলগা হৈছে সঁচা; কিন্তু হলেও দিচপুৰৰ এই অস্থায়ী ৰাজধানীত ইতিমধ্যেই সকলো কাম-কাজ কৰা আৰম্ভ কৰিছে। ৰাজ্যপালৰ ভাষণত চৰকাৰে কৰা কামৰ এটা থুলমূল বিবৰণ দিয়া হৈছে—অৰ্থাৎ যিখিনি কাম আমাৰ কৰিছে তাৰো এটা খতিয়ান ইয়াত দাঙি ধৰা হৈছে। অৱশ্যে দুই-এটা কথা ৰাজ্যপালৰ ভাষণৰ পৰা বাদ পৰাত আৰু কিছুমান গুৰুত্বপূৰ্ণ সমস্যা আলোচনা নোহোৱাত সেই বিষয়ে মই কেইটামান কথা দাঙি ধৰিব খুজিছোঁ।

প্ৰথমতে, চৰকাৰী কৃষিপাম নিগম গঠন কৰা বিষয়ত আমাৰ চৰ-

কাৰে লোৱা ভূমি নীতি সম্পৰ্কীয় কথাবিলাকো সোমাই আছে ; সেইটো উল্লেখ নকৰাটো সঁচাকৈয়ে বৰ দুখৰ কথা । অসমত ইতিমধ্যেই কেইবা-খনো কৃষিপাম-নিগম আৰম্ভ হৈছে । আটাইকেইখন কৃষিপামৰ কথা নেজানিলেও মই মোৰ সমষ্টিত ( ডিব্ৰুগড় মহকুমা ) স্থাপিত হোৱা পূবেৰুণ কৃষি-পাম নিগমৰ কথাকে কব খুজিছোঁ । এই নিগম স্থাপিত হোৱা আজি এবছৰেই হল যদিও আজিও তাৰ কাম ভালদৰে আৰম্ভ হোৱা নাই । অসম চৰকাৰে নতুনকৈ গঠিত কৰা এই কৃষিপাম নিগমৰ প্ৰতি আৰু তাৰ আদৰ্শৰ প্ৰতি আমাৰ ৰাইজৰ যথেষ্ঠ আগ্ৰহ আছে আৰু অধিক আগ্ৰহেৰে তাৰ কাৰ্য্যকাৰীতালৈ লক্ষ্য কৰি আছে । এই কৃষিপাম নিগমৰ প্ৰজেক্ট ৰিপৰ্টমতে খেতিয়ক সকলক মাটি চমজি দিয়াৰ লগে লগে ঘৰ সাজিবৰ কাৰণেও ৫০০ কৈ টকা দিয়াৰ কথা আছিল । মাহে ১৫০ টকাকৈ আগধনৰ টকা ছমাহৰ বাবে দিয়াৰ কথা আছিল । আজি কৃষিপাম নিগম গঠিত হোৱাৰ এবছৰতকৈও বেছি হোৱা স্বত্বেও এই টকাটো এতিয়ালৈকে ৰাইজক দিয়া হোৱা নাই— যাৰ ফলত ৰাইজসকলেও কোনো খেতি-বাতিৰ কাম কৰিব পৰা নাই । পূবেৰুণ কৃষিপামখন য'ত প্ৰতিষ্ঠা কৰা হৈছে সেই নামদাং ৰিজাৰ্ভৰ ওচৰেদি এখন অতি সৰু নৈ বৈ গৈছে । প্ৰজেক্ট ৰিপৰ্টমতে দিহিঙৰ মথাউৰিত এই নদীখন বৈ যাব পৰাকৈ থকা দলংখন পুতি নদীখনৰ গতিপথটো অন্যফালে ঘোৰাই লৈ যোৱাৰ কথা আছিল । এই কামটো কৰিবৰ কাৰণে ই, এণ্ড, ডি বিভাগক দায়িত্ব দিয়া হৈছিল । কৰ্তৃপক্ষই এইবিষয়ে এই বিভাগৰ লগত বহুতো যোগাযোগ কৰিলে কিন্তু শেষত দেখা গৈছে যে, ই, এণ্ড, ডি বিভাগে এই কামটো কৰিব নোৱাৰো বুলি কৈছে । সেইদৰেই নিগমলৈ যাবৰ কাৰণে কোনো ৰাস্তা নাই । ৰাস্তাটো প্ৰায় চাৰিমাইল নেচনেল হাইওৱেৰ পৰা গড়কাপ্তানী বিভাগে লব লাগে ; কিন্তু সেইটো আজিলৈকে হোৱাগৈ নাই । সেই কাৰণেই এই কৃষিপাম নিগমলৈ যাতায়তৰ ভীষণ অসুবিধা । তালৈ ইতিমধ্যেই ৭৫ ঘৰ মানুহ গৈছে যদিও তেওঁলোকে কোনো খেতি-বাতি আদি কৰিব পৰা নাই ; আনকি মথাউৰিত থকা দলংখন নুপুতিলে এই মানুহখিনিৰ ঘৰবাৰী সকলোবিলাক পানীয়ে বুৰাই পেলাব । এই সকলোবিলাক কথা কৃষিপাম নিগম বহুৱাৰ আগতেই চিন্তা কৰিব লাগিছিল ।

সেই কাৰণেই গোটেই মানুহখিনিৰ মনলৈ নিৰুৎসাহৰ ভাৱ এটা আহিছে। গতিকে চৰকাৰে লোৱা এই কৃষিপাম নিগমৰ আঁচনি যাতে কাৰ্য্যকৰী কৰি ৰাইজক তাৰ প্ৰতি আকৃষ্ট কৰিব পাৰি আৰু তাৰ সুফল যাতে আমাৰ লোকসকলে ভোগ কৰিবলৈ পায় তাৰ কাৰণে আমি চৰকাৰক মনোযোগেৰে চাবলৈ অনুৰোধ কৰিছোঁ। আৰু এইবিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ।।

তাৰ পিছত চৰকাৰে সমবায়ৰ ক্ষেত্ৰত যিখিনি কৰিছে সেইখিনিও সন্তোষজনক হৈছে বুলিয়েই কব লাগিব। গোটেই সমবায় আন্দোলনটো কৃতকাৰ্য্য কৰি তুলিবৰ কাৰণে আমাৰ ৰাইজৰ আগ্ৰহ আৰু সহায় সহযোগৰো নিতান্ত প্ৰয়োজন। সমবায়ৰ উপকাৰিতা লাভ কৰিব আমাৰ ৰাইজে। গতিকে সৰ্ব্বসাধাৰণ খেতিয়ক ৰাইজক ভালদৰে সু-সংগবদ্ধ কৰিব নোৱাৰিলে, সমবায় আন্দোলনৰ তাৎপৰ্য্য তেওঁলোকক বুজাই দিব নোৱাৰিলে সমবায় আন্দোলনৰ কথা চৰকাৰে যিমানেই চিন্তা নকৰক লাগিলে সি কেতিয়াও কাৰ্য্যকৰী হৈ উঠিব নোৱাৰিব। আজি সমবায়ে ক'ত সস্তা দামত ধান কিনিলে, ক'ত বেছি দামত ধান বেছিলে এই বিলাক কথা আলোচনা সমালোচনা আদি কৰাতকৈ আমি সমবায় আন্দোলনটোক কৃতকাৰ্য্য কৰি তুলিবলৈ ৰাইজক ইয়াৰ যথোপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। এই সমবায় আন্দোলনৰ মূল নীতি 'ৰ'চডেল প্ৰিন্সিপুলৰ' কথাও ইয়াৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছে। গতিকে ইয়াৰ কাৰণে যথোপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা থাকিব লাগে। সমবায় আন্দোলনৰ বিষয়ে প্ৰশিক্ষণ দিবৰ কাৰণে অসম ৰাজ্যিক সমবায় সংঘৰ ওপৰত দায়িত্ব দিয়া হৈছে কিন্তু যথেষ্ঠ পুঁজিৰ অভাৱত এই সংঘই যি ভাৱে কাম কৰিব লাগিছিল সেই ধৰণে কাম কৰিব পৰা নাই। ফলত ইয়াৰ দ্বাৰা যি ভাৱে সমবায়ৰ প্ৰচাৰ অভিযান আৰম্ভ হব লাগিছিল সেই ধৰণে এতিয়াও হোৱা নাই। সেই কাৰণেই মই চৰকাৰৰ ওচৰত বিশেষ ভাৱে অনুৰোধ কৰিছো যাতে জনসাধাৰণৰ মাজত সমবায় আন্দোলনৰ প্ৰতি আগ্ৰহ বঢ়াবৰ কাৰণে কৰিব লগীয়া সকলোখিনি কৰিবলৈ চৰকাৰ অকণো পিছ নপৰিব। সমবায় আন্দোলনক আজি আমাৰ ৰাইজে সাদৰেৰে গ্ৰহণ কৰিছে, ৰাইজে তাক প্ৰত্যাখান কৰা নাই। ৰাইজে তাক

প্ৰত্যাখান কৰা হ'লে আজি এই আন্দোলনৰ প্ৰথম অৱস্থাতে ধান সংগ্ৰহৰ প্ৰথম ব্যৱস্থাত ইমান কৃতকাৰ্য্য নহ'লহেঁতেন। আজি অসমত ২৪ লাখ কুইণ্টল ধানৰ ভিতৰত এতিয়ালৈকে ১৬ লাখ কুইণ্টল ধান সংগ্ৰহ হ'ল। আমাৰ খেতিয়ক সকলে এই সমবায় আন্দোলনৰ প্ৰতি সহাৰি নিদিয়া হ'লে, এই ধান সংগ্ৰহ অভিযান ইমান কৃতকাৰ্য্য নহ'লহেঁতেন। সমবায়ৰ শিক্ষা আমাৰ ৰাইজৰ মাজত বহুল ভাৱে প্ৰচাৰ কৰি অন্যান্য নিত্য-প্ৰয়োজনীয় সামগ্ৰী যেনে, কাপোৰ কানি, তেল, নিমখ আদি সকলো সমবায়ৰ ভিতৰলৈ আনিবৰ কাৰণে উদ্‌গণি দিব লাগে আৰু ইয়াৰ কাৰণে অসমৰ সকলো জেগাতে অধিক সাহাৰ্য্য সোনকালে আগবঢ়াব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ উদ্যোগিক বিষয়টোৰ সম্পৰ্কেও উল্লেখ কৰিছে যে, যোৱা বছৰটোত সাধাৰণ উদ্যোগৰ কাৰণে বছৰটো ভাল আছিল।

মাননীয় উপাধ্যক্ষ—আপোনাৰ আৰু কিমান সময় লাগিব ?

শ্ৰীতৰুণ চুতিয়া—মোক আৰু ১০ মিনিট সময় লাগিব।

Mr. Deputy Speaker—The House stands adjourned till 2 P. M. Shri Chutia will continue.

(The House rose at 12. 30 P. M.)

AFTER LUNCH

(The House reassembled with Mr. Speaker in the Chair)

শ্ৰীতৰুণ চুতিয়া—অধ্যক্ষ মহোদয়, চাহ শিল্পৰ কৰ্ম্মী সকলে আজি যিখিনি দুৰ্যোগৰ সন্মুখীন হৈছে, তাক বৰ্ণনা কৰিব নোৱাৰি। চাহ শিল্পৰ উৎপাদনত আজি খৰচৰ মাত্ৰা কেইমাহমানৰ পৰা বাঢ়িব ধৰিছে আৰু ইয়াৰ ফলত দেখিবলৈ পোৱা গৈছে যে, চাহ শিল্পত খৰচৰ মাত্ৰা বৃদ্ধি কৰাৰ লগে লগে বনুৱা চাটাই কৰা হয় বা বনুৱাৰ সংখ্যা কমোৱা হয়। আমাৰ অসমত ১৯৫৪ চনত ৫½ লাখ বনুৱাই কাম কৰিছিল, কিন্তু তাৰ ঠাইত আজি তাৰ সংখ্যা ৪ লাখৰ কমলৈ নামি আহিল। ইয়াৰ মূল কাৰণ হৈছে বছৰে বছৰে উৎপাদনৰ ক্ষেত্ৰত যিটো বৰ্দ্ধিত খৰচ হয় সেইটো মিতাবৰ কাৰণে মালিক সকলে বনুৱাৰ ওপৰত হেচাদি সেই

খৰচ কমাবলৈ চেষ্টা কৰে। আজি দেখা গৈছে যে, চাহ শিল্পৰ কাৰণে যি বিলাক আৱশ্যকীয় বস্তু যেনে পেট্ৰল, চাহ খাকচ, লোহা আদি অন্যান্য সামগ্ৰীৰ দাম বৃদ্ধি হৈছে আৰু ফলত চাহ উৎপাদনৰ খৰচ বাঢ়িছে আৰু সেই খৰচ মিতাবৰ কাৰণে মজদুৰৰ সংখ্যা কমোৱা হৈছে। এই বিষয়ে মই চৰকাৰৰ তীব্ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আজি ২ দিনৰ আগতে দৈনিক অসম খবৰ কাগজত প্ৰকাশ হৈছে যে, অৰ্থৰ অভাৱৰ কাৰণে যোৰহাটত ডুখন বাগিছা বন্ধৰ জাননী দিছে। মাত্ৰ সেই ডুখন বাগিছাই নহয়, অৰ্থৰ অভাৱৰ কাৰণে আৰু বহুতো বাগিছাই বন্ধ হোৱাৰ আশংকাই দেখা দিছে। মোৰ অঞ্চলৰ ভুলীয়াবাম বাগানখন আজি ৪ বছৰে ঠিকমতে চলাব পৰা নাই। প্ৰত্যেক মালিকে বাগান চলাবলৈ যি টকা পায়, সেই টকা বোধকৰো অন্যত খৰচ কৰি পেলায়, ফলত মজদুৰে দৰমহা নাপায়। আজি ৩ মাহ ধৰি মজদুৰ সকলে দৰমহা পোৱা নাই, কৰ্ম্মচাৰী সকলে ৫ মাহ ধৰি দৰমহা পোৱা নাই, ২ বছৰ ধৰি বাৰ্ষিক চুটিৰ পইচা পোৱা নাই। বোনাচ পোৱা নাই। মালিকৰ দোষত মজদুৰ সকলে তেওঁলোকৰ ন্যায্য প্ৰাপ্য পোৱাৰ পৰা বঞ্চিত হৈছে। গতিকে চৰকাৰে এই ক্ষেত্ৰত ভাল ব্যৱস্থা লবলৈ চেষ্টা কৰিব লাগে।

অধ্যক্ষ মহোদয়, পশ্চিমবংগত ইতিমধ্যে আন-ইকনমিক, চিক্‌গাৰ্ডেন বিলাক লবৰ কাৰণে আইন পাছ কৰিছে। অসমতো চাহ শিল্প আৰু চাহ মজদুৰ সকলৰ নিৰাপত্তাৰ কাৰণে তেনে আইন সোনকালে গ্ৰহণ কৰা উচিত। আজি অসমত টি কৰপৰেচন হৈছে, গতিকে আইন কৰি এই কৰপৰেচনৰ দ্বাৰা নিশকতীয়া কুপৰিচালিত বাগান বিলাক লোৱাৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, ওৱেলফেয়াৰ অব দি আদাৰ বেকওৱাৰ্ড ক্লাচৰ ক্ষেত্ৰত মই কব খুজিছো যে, অ, বি, চিৰ ভিতৰত পৰা জাতিবিলাকৰ ভিতৰত বহুতো জাতিয়েই চৰকাৰৰ পৰা সাহাষ্য পোৱা নাই। সেই কাৰণেই আজি অসমৰ চুকে-কোণে এই পিচ পৰি থকা সম্প্ৰদায় সকলৰ মাজত তীব্ৰ আলোড়নৰ সৃষ্টি হৈছে। তেওঁলোক আজি সংগঠিত হৈ তেওঁলোকৰ দাবী আদায়ৰ কাৰণে আগবাঢ়ি আহিছে। আজি সদৌ অসম পি. পৰা শ্ৰেণী সন্মিলনৰ যোগেদি এই পিচপৰা শ্ৰেণী সমূহ সন্মিলিত হৈ আগবাঢ়ি

আহিছে, এইটোৱে এইটো বুবুজায় যে, তেওঁলোকে এটা সাম্প্ৰদায়িক মনোভাৱ লৈ কাম কৰিবলৈ আহিছে। অ, বি, চিৰ ভিতৰত ৩০ টা সম্প্ৰদায় আছে। তেওঁলোকে সামাজিক, অৰ্থনৈতিক উন্নতিৰ কাৰণে যি সংগঠন আৰম্ভ কৰিছে এই সংগঠনক আজি ন্যস্ত স্বাৰ্থই সাম্প্ৰদায়িক আন্দোলন বুলি আখ্যা দিবলৈ চেষ্টা কৰিছে। কিন্তু প্ৰকৃততে এই ৩০ টা সম্প্ৰদায়ে সাংবিধানিক যি সা-সুবিধা পাব লাগে সেইটোহে বিচাৰে। আজি এই অনুন্নত মানুহ বিলাকে কি বিচাৰিছে? তেওঁলোকে বিচাৰিছে যে, তেওঁলোকৰ সম্প্ৰদায়ৰ ল'ৰা-ছোৱালী অধিক শিক্ষিত হওঁক। আগ-বাঢ়ি আহক। এই ক্ষেত্ৰত ২।১ টা উদাহৰণ দিব পৰা যায়। চাহ মজদূৰ সকলৰ কথাকে কওঁ, অসমত প্ৰায় ৪০ লাখ চাহ মজদুৰ আছে তাৰ ভিতৰত গ্ৰেজুয়েটৰ সংখ্যা প্ৰায় ২০০ ৰ বেছি নহব। সেইদৰে মৰিয়া সম্প্ৰদায়ৰ মানুহো আছে। অলপতে তেওঁলোকৰ এখন মিটিং হৈছিল কুৱৰীতোলত। তাতো দেখা গ'ল ৯০০ ঘৰ মৰিয়াৰ মাজত এজনো মেট্ৰিকুলেট নাই। গতিকে এই পিচপৰি থকা মানুহ বিলাকক আগুৱাই অনাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। এই সম্প্ৰদায় বিলাকত মাটিহীন মানুহো বহুত আছে। মই চৰকাৰক অনুৰোধ কৰো যাতে, সমাজবাদ যদি কাৰ্য্যত প্ৰয়োগ কৰিব খুজিছে তেতিয়া হ'লে পিচপৰি থকা বাইজক আগবঢ়াই অনাৰ চেষ্টা কৰিব লাগিব। সেইকাৰণে মই অনুৰোধ কৰিব খুজো যে, অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ কাৰণে কৰাৰ দৰে পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাত অন্যান্য পিচপৰা শ্ৰেণীৰ বাইজৰ বাবেও এটা চাব প্লেনৰ ব্যৱস্থা কৰিব লাগে আৰু সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে এটা দেভেলপমেণ্ট কৰপৰেচন কৰিব লাগে। অন্যান্য পিচপৰা শ্ৰেণীৰ সমূহীয়া কল্যান সম্পৰ্কে সকলোবিলাক বিষয় চাবৰ কাৰণে বেলেগে এটা দিৰেকটৰেত স্থাপন কৰিব লাগে। যদি এই দিৰেকটৰেত স্থাপন নকৰে তেন্তে অসমৰ চুকে-কোণে থকা শতকৰা ৭০ ভাগ মানুহৰ কল্যান নহব। ইয়াকে কৈ মই ৰাজ্যপালৰ ভাষণৰ প্ৰতি সমৰ্থন জনাইছোঁ।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত চৰকাৰৰ পক্ষৰ পৰা এতিয়ালৈকে কৰা কামৰ বিৱৰণী এটা আমি দেখিবলৈ পাইছোঁ। আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কৰিবলৈ যাওঁতে আমি আমাৰ

প্ৰদেশৰ, আমাৰ ৰাজ্যৰ সৰ্বসাধাৰণ মানুহৰ অৰ্থনৈতিক আৰু মানষিক অৱস্থাৰ কথা আমি বিবেচনা কৰি চাব লাগিব । কাৰণ এই কথাটো আমি দেখিবলৈ পাইছোঁ যে যোৱা বছৰ ১৯৭৩ চনত আমাৰ প্ৰদেশতেই নহয় সমগ্ৰ ভাৰতবৰ্ষতেই সমাজৰ বিভিন্ন অংশৰ লোকে বিশেষকৈ শ্ৰমিক শ্ৰেণীৰ ভিতৰত, কৃষক শ্ৰেণীৰ ভিতৰত ছাত্ৰ সকলৰ ভিতৰত, মধ্যবিত্ত শ্ৰেণীৰ ভিতৰত এক বিৰাট অসন্তুষ্টি বিয়পি পৰিছে। সেই কথা আমি দেখিবলৈ পাইছোঁ। সেই কাৰণে আমি আজি এই কথা লক্ষ্য কৰিছোঁ যে যোৱা কেইমাহৰ ভিতৰত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত যিবিলাক আন্দোলন সংঘটিত হৈছে সেই আন্দোলন বিলাকৰ কথা আমি নিতান্তই বিবেচনা কৰি চোৱাতো প্ৰয়োজন। আমি এইষাৰ কথাও বিবেচনা কৰি চাব লাগিব যে যি সকল জনসাধাৰণ বা যি সকল লোকৰে ১৯৭১।৭২ চনৰ নিৰ্বাচনত কংগ্ৰেছে বিপুল সমৰ্থন লাভ কৰিছিল সেই ভোটাৰ সকলেই তথা সেই ৰাইজেই কংগ্ৰেছৰ নীতিক সমৰ্থন কৰা নাই। এতিয়ালৈকে ভাৰতবৰ্ষত যিমানবিলাক নিৰ্বাচন হৈ যায় বা অন্যান্য নিৰ্বাচন হৈ গ'ল সেই নিৰ্বাচন বিলাকত ১৯৭১।৭২ চনত সেই সমষ্টি বিলাকত সৰহভাগ কংগ্ৰেছৰ দল নিৰ্বাচিত হৈছিল। কিন্তু ২ বছৰ পাছত যিবিলাক নিৰ্বাচন হৈ গ'ল সেই নিৰ্বাচন বিলাকত কংগ্ৰেছ প্ৰাৰ্থী পৰাজিত হৈছে আৰু অসম ৰাজ্যৰ ৰাজধানী গুৱাহাটীতেই পৌৰ নিগমৰ নিৰ্বাচনত কংগ্ৰেছৰ পৰাজয় কিয় হ'ল। অথচ ২ বছৰ আগতে ১৯৭২ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে বিপুল সমৰ্থন লাভ কৰিছিল সেই কথাটো আমি বিবেচনা কৰাতো নিতান্তই প্ৰয়োজন। ইয়াৰ কাৰণ বহুতো থাকিব পাৰে কিন্তু তাৰ ভিতৰত এটা ডাঙৰ কাৰণ হ'ল যে ১৯৭১।৭২ চনত নিৰ্বাচনৰ সময়ত ৰাইজৰ মাজত কংগ্ৰেছে যি আশা-আকাংশাৰ বীজ ৰোপন কৰিব পাৰিছিল অৰ্থাৎ যি আশা প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি পালন কৰিব নোৱাৰাই আজি জনসাধাৰণৰ মাজত বিক্ষোভ বৃদ্ধি হোৱাৰ এটা অন্যতম কাৰণ। আৰু এই বিষয়ে যদি আমি ভালদৰে উপলব্ধি নকৰো তেতিয়াহলে আগন্তুক সময় ছোৱাত এনেকুৱা বহুতো পৰিস্থিতিৰ সন্মুখীন হব লাগিব।

এই কথা আমি মনত ৰখাটো প্ৰয়োজন যে যেতিয়া এবাৰ আমাৰ

ভাৰতবৰ্ষৰ জনসাধাৰণে প্ৰগতিশীল নীতি গ্ৰহণ কৰিছে তেনে অৱস্থাত যি দলেই শাসনত নাথাকক সেই নীতি সেই দলেই সমৰ্থন কৰি আগুৱাই যাব লাগিব আৰু সেই নীতি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত অপাৰগ হয় তেতিয়াহলে সেই সকল দলৰ বা সেই সকল লোকক জনসাধাৰণে কেতিয়াও ক্ষমা নকৰিব। ইয়াৰ পৰা এইটোৱেই শিক্ষা লব লাগিব। ইয়াৰ পৰা আমি এইটো শিক্ষাও লব লাগিব যে যি সময়ত ভাৰতবৰ্ষৰ যিবিলাক প্ৰতিক্ৰিয়াশীল শক্তিয়ে এই অৱস্থাৰ সুযোগ লৈ আগবাঢ়িছিল সেইবিলাক শক্তিয়ে তেতিয়াও বহি থকা নাছিল আৰু এতিয়াও বহি থকা নাই ৰাইজৰ মাজত বিৰাট অসন্তোষ সৃষ্টি হৈছে আৰু অসন্তুষৰ সুবিধা লৈ তেওঁলোকৰ নিজৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ কাৰণে সেই প্ৰতিক্ৰিয়াশীল শক্তিক ব্যৱহাৰ নকৰাকৈ বহি থকা নাই।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ ভিতৰত যোৱা ডিচেম্বৰ মাহত ১৮ তাৰিখৰ পৰা ৰাজ্যৰ ৮৫ হাজাৰ কৰ্মচাৰীয়ে ১৩ দিনীয়া এটা দীঘলীয়া ধৰ্মঘট চলাইছিল। ইয়াৰ আগতেও অসম ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী সকলে বহুবাৰ আন্দোলন কৰিছে কিন্তু এনেকুৱা এটা দীঘলীয়া আন্দোলন যি আন্দোলন ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী সকলে ঐক্যবদ্ধ ভাৱে কৰিছিল শান্তিপূৰ্ণ ভাবে কৰিছিল তেনে শান্তিপূৰ্ণ আৰু দীঘলীয়া আন্দোলন অসম ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী সকলে আগতে কৰা নাছিল। গতিকে এই আন্দোলনৰ পৰিপ্ৰেক্ষিতত আমি বিবেচনা কৰি চাব লাগিব কিয় অসম ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী সকলে আন্দোলন কৰিব লগা হ'ল। তেখেত সকলে ২০ টা দফা চৰকাৰৰ ওচৰত উত্থাপন কৰিছিল, সেই দফাবিলাকৰ সম্পৰ্কত মই পিচত আলোচনা কৰিম। ইয়াৰ অন্যতম কাৰণ হ'ল আজি আমাৰ দেশখনৰ, আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক পৰিস্থিতি ইমান শোচনীয় হৈ পৰিছে যে সেই পৰিস্থিতিত আমাৰ সৰ্বসাধাৰণ ৰাইজ, ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী সকল জীয়াই থকায়েই সম্ভৱপৰ হোৱা নাই। আজি ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী সকলে যি বেতন পাই সেই বেতনেৰে এটা পৰিয়াল জীয়াই থকাই অসম্ভৱ হৈ পৰিছে। আজি আমি এই কথা নিতান্তই জানো যে আজি আমাৰ দেশখনৰ আৰু ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থালৈ লক্ষ্য কৰিলে দেখা যায় যে আমাৰ ৰাজ্যিক চৰকাৰৰ

কৰ্মচাৰী বিলাকে তেওঁলোকৰ সেই ন্যূনতম দৰ্মহাৰে জীয়াই থকাতো অসম্ভৱ হৈ পৰিছে আৰু সেই কাৰণেই আজি ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত দাবী উঠিছে যে গোটেই ভাৰতবৰ্ষৰ কাৰণে এটা ন্যূনতম দৰ্মহা হোৱা দৰকাৰ। কাৰণ এই কথাটো আমি উপলব্ধি কৰিব লাগিব যে ভাৰতবৰ্ষ এখন দেশ আৰু ভাৰতবৰ্ষৰ প্ৰত্যেকখন প্ৰদেশৰ দৰ্মহাৰ নিৰিখ বেলেগ বেলেগ। তাৰোপৰি কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ দৰ্মহাৰ নিৰিখ ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰীৰ দৰ্মহাৰ নিৰিখতকৈ বেলেগ আৰু আকৌ বিভিন্ন ৰাজ্যৰ বেলেগ বেলেগ দৰ্মহাৰ নিৰিখ দেখিবলৈ পোৱা গৈছে। কিন্তু আজি আমি এইটো বিবেচনা কৰিব লাগিব যে আজি আমাৰ দেশখনৰ সৰ্বোচ্চ দৰ্মহা যিমানেই নহওক কিন্তু 'নেশ্যনাল মিনিমাম ৱেইজ' লৈ চাই দেশখনৰ মানুহে জীয়াই থকাৰ কাৰণে যিখিনি ন্যূনতম সুবিধা দিয়া দৰকাৰ সেইখিনি সুবিধা দিয়াতো চৰকাৰৰ ফালৰ পৰা এটা মহান কৰ্ত্তব্য বুলি বিবেচনা কৰা উচিত।

অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ ন্যূনতম জীয়াই থকাৰ বাবে সীমা ৰেখা হ'ল ৪৮ টকা আৰু আজি যদি আমাৰ একোটা পৰিয়ালত ৫ জন হিচাবে ধৰা হয় তেতিয়াহলে সেই পৰিয়ালটোৰ বাবে অতি কমেও ২৪০ টকা লাগিব। এই সম্পৰ্কতে ভাৰতীয় ট্ৰেড-ইউনিয়নত এটা দাবী উত্থাপন কৰা হৈছিল যে গোটেই ভাৰতবৰ্ষতে এটা জাতীয় ন্যূনতম বেতন নিৰ্ধাৰণ কৰিব লাগে। সেইটো ২৫০ টকা হব লাগে আৰু অসম চৰকাৰৰো কৰ্মচাৰী বিলাকে এইটো দাবী কৰিছিল যে ন্যূনতম দৰ্মহা হোৱা দৰকাৰ ২৫০ টকা। কিন্তু বৰ্ত্তমান চৰকাৰৰ আৰ্থিক অৱস্থালৈ চালে দেখা যায় যে ২৫০ টকা ন্যূনতম বেতন দিয়াতো সম্ভৱ নহব পাৰে। আৰু সেই দাবী মানি লবলগীয়া হলে চৰকাৰে অতি কমেও ৭ কোটি টকা ব্যয় কৰিব লাগিব। এই কথা মই কোৱা নাই যে আজি এনে আৰ্থিক সংকট পৰিস্থিতিত ৰাজ্যিক চৰকাৰে ২৫০ টকা একে দিনাই দিব পাৰিব। সেইটো মই ভবা নাই। মই এই কথাও স্বীকাৰ কৰো যে আজি ন্যূনতম দৰ্মহা ২৫০ টকা হলেও ভাৰতবৰ্ষৰ কোনো মানুহে বিশেষকৈ ৰাজ্যিক চৰকাৰৰ কৰ্ম্মচাৰী সকলে জীয়াই থকাতো সম্ভৱ নহব বৰ্ত্তমান অৱস্থালৈ চাই। তেনেস্থলত আমাৰ ইয়াৰ কৰ্মচাৰী বিলাকৰ দৰ্মহা বৃদ্ধি নকৰাটো উচিত

হোৱা নাই। এই ক্ষেত্ৰত আমাৰ পে কমিচনে এটা ন্যূনতম নিৰিখ বান্ধি দিছে। এটা কথা দেখিছো যে ৰাজ্যিক চৰকাৰৰ পে কমিচনৰ ন্যূমতম নিৰিখ দিছে। সৰ্বভাৰতীয় পে কমিচনে যি ন্যূনতম নিৰিখ বান্ধি দিছে। ১৯৬ টকা, বৰ্ত্তমান ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ কাৰণে সেই নিৰিখত দিব লাগে। আৰু ইতিমধ্যে ভাৰতবৰ্ষৰ সৰহ ভাগ ৰাজ্যই কেন্দ্ৰীয় চৰকাৰৰ পে কমিচনৰ যিটো মিনিমাম স্কেল সেইটো মানি লৈছে। আৰু আমাৰ ৰাজ্য চৰকাৰৰ পে কমিচনৰ সিদ্ধান্তও আমাৰ ৰাজ্যিক চৰকাৰে মানি লৈছে। তথাপি মই চৰকাৰক অনুৰোধ কৰিছো বিশেষকৈ যি সকল ৩য় আৰু ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সেই সকলৰ ক্ষেত্ৰত চৰকাৰে বিশেষ ব্যৱস্থা কৰিব লাগে। এই সকলৰ ন্যূনতম ২৫০ টকা কৰিব নোৱাৰিলেও কেন্দ্ৰীয় চৰকাৰৰ পে কমিচনে যি ১৯৬ টকা বান্ধি দিছে সেইটোকে ৰাজ্যিক চৰকাৰে গ্ৰহণ কৰিব লাগে। এই নিৰিখত ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰীৰ বেতন থিক কৰাৰ কাৰণে বিবেচনা কৰি চোৱা প্ৰয়োজন। অধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও তেওঁলোকৰ বহুতো দাবী আছিল। এই দাবী বিলাকৰ কথা মই ইয়াত উল্লেখ নকৰো। ইয়াত কিছুমান এনে দাবী আছে যি বিলাক চৰকাৰে বিবেচনা কৰি চোৱাৰ প্ৰয়োজন। চৰকাৰী কৰ্ম্মচাৰী সকলৰ চিকিৎসাৰ সা-সুবিধাৰ ব্যৱস্থা কৰাটো চৰকাৰৰ নিতান্ত প্ৰয়োজন। যি সকল কৰ্মচাৰীৰ বেতন ১২০।১৩০।১৫০ টকা সেই সকল কৰ্মচাৰীৰ চিকিৎসাৰ ব্যৱস্থা চৰকাৰে কৰিবই লাগিব। তেনেকৈয়ে যি বিলাক চৰকাৰী কৰ্মচাৰী গুৱাহাটী মহানগৰীত আছে আৰু ৰাজ্যিক সচিবালয়ৰ যি বিলাক কৰ্ম্মচাৰী ইয়ালৈ আহিছে সেই সকলৰ থকা মেলাৰ সুবিধা কৰি দিয়াটোত চৰকাৰৰ দায়িত্ব নোহোৱা নহয়। এই বিলাক নৈতিক দায়িত্ব চৰকাৰৰ নোহোৱা নহয়। সেই দাবী বিলাক গ্ৰহণ কৰাৰ কাৰণে চৰকাৰে সহানুভূতিৰে বিবেচনা কৰিব লাগিব। এই দাবী বিলাকৰ ভিতৰতে এইটো কথা কব লাগিব যে কিছুমান দাবী ৰাজ্যিক চৰকাৰৰ ক্ষমতাৰ ভিতৰত নপৰে। সেই বিলাক নিতান্তই এটা ৰাজ্যিক চৰকাৰে গ্ৰহণ কৰিব পৰাটো সম্ভৱপৰ নহয়। যি বিলাক দাবী ৰাজ্যিক চৰকাৰৰ ক্ষমতাৰ ভিতৰত নপৰে, যি বিলাক দাবী ৰাজ্যিক চৰকাৰৰ দায়িত্বৰ ভিতৰত নপৰে, যি বিলাকৰ কাৰণে সংবিধান সংশোধন কৰিব লগীয়া

হয় সেই বিলাকৰ ক্ষেত্ৰত ৰাজ্যিক চৰকাৰে মতামত দিব নোৱাৰে। আমি এইটো কথা লক্ষ্য কৰিব লাগিব যে যি বিলাক দাবীৰ গ্ৰহণৰ ক্ষমতা ৰাজ্যিক চৰকাৰৰ নাই সেই বিলাক বাদ দি যি বিলাক দাবী গ্ৰহণৰ ক্ষমতা ৰাজ্যিক চৰকাৰৰ আছে সেই বিলাক সহানুভূতিৰে বিবেচনা কৰিবলৈ মই ৰাজ্যিক চৰকাৰক অনুৰোধ জনাইছো। কাৰণ এই আন্দোলনৰ সময়ত আমি সকলোৱেই তেওঁলোকক সহানুভূতি দেখুৱাইছিলো। ইটো আমি সকলোৱেই সমৰ্থন কৰিছিলো। এইটো কথা আমি জানো যে কিছুমান ৰাজনৈতিক দলে এই আন্দোলনটো তেওঁলোকৰ ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰিবলৈ বিচাৰিছিল। এই বিলাক কথা ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী সকলে হয়তো উপলব্ধি কৰা নাই। মোৰ দৃঢ় বিশ্বাস যে এইটো কথা ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰী সকলে আজি নহলেও কালিলৈ নিশ্চয় উপলব্ধি কৰিব লাগিব। কাৰণ যেতিয়া এটা আন্দোলন কৰিবলৈ যায় এই আন্দোলনৰ লগত তাৰ মুখ্য উদ্দেশ্যটো আমি বিবেচনা কৰি চাব লাগিব।

অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত বস্তুৰ দাম অতি মাত্ৰাই বৃদ্ধি পাইছে। মই যোৱা বাৰ বিধান সভাটো এইটো কথা কৈছিলো যে চৰকাৰে নবেম্বৰ মাহত ধান চাউলৰ পাইকাৰী ব্যৱসায় নিজৰ হাতলৈ অনাৰ পিচত চাউলৰ দাম বৃদ্ধি কৰাৰ নিৰ্ধাৰণ কৰাতো উচিত হোৱা নাই। এই কথা মই এতিয়াও কওঁ যে চৰকাৰে প্ৰতি কুইণ্টলত ৭০ টকালৈ ধান সংগ্ৰহ কৰি সেই চাউলৰ দাম প্ৰতি কুইণ্টলত ১৫৬ টকাকৈ নিৰ্ধাৰণ কৰাৰ কোনো যুক্তি নাই। প্ৰকৃত পক্ষে প্ৰতি কুইণ্টলত ৭০ টকাকৈ ধান সংগ্ৰহ কৰিলে প্ৰতি কিলো চাউলত ১'০৮ টকাকৈ নিৰ্ধাৰণ কৰিব লাগে। অন্যান্য সকলো ধৰণৰ খৰচ ধৰি ১'২৫।১'৩০ টকাৰ বেচি হব নোৱাৰে। এই ক্ষেত্ৰত ৰাজ্যিক চৰকাৰৰ পৰা বহুতো খৰচৰ হিচাব দেখুউৱা হৈছে। বিশেষকৈ এক টি আইৰ হেণ্ডলিং চাৰ্জত ২০ টকা লোৱা হয়। এইটো খৰচৰ ঘৰত যদিও ধৰা হৈছে এই ২০ টকাৰ ভিতৰতে ১৪ টকাৰ অপচয় হৈছে। প্ৰতি কুইণ্টলত ২০ টকাকৈ চাৰ্জ লোৱাৰ কোনো প্ৰয়োজন নাই। এই কথা আমি বিবেচনা কৰিব লাগিব যে চাউল আমাৰ প্ৰদেশৰ শতকৰা ৯৯ জন মানুহেই ব্যৱহাৰ কৰে। গতিকে এই

চাউলৰ পৰা চৰকাৰে লাভ কৰিবলৈ যোৱাটো উচিত হোৱা নাই। তাৰ পৰিবৰ্ত্তে যাতে ৰাইজে উপযুক্ত দামত চাউল পাব পাৰে তাৰ ব্যৱস্থা চৰকাৰে কৰি দিব লাগে। এতিয়া আমি এই কথাটো দাবী কৰো যে চাউলৰ যি দাম চৰকাৰে নিৰ্দ্ধাৰণ কৰিছে তাক চৰকাৰে পুনৰ বিবেচনা কৰিব লাগে। কাৰণ এইহাতে খেতিয়ক সকল উপকৃত হৈছে যদিও গ্ৰাহক সকলে উপযুক্ত দামত পোৱা নাই। সেই ফালৰ পৰা দাবী কৰিছো যে এই দাম চৰকাৰে পুনৰ বিবেচনা কৰিব লাগে। কোনো কাৰণতেই চাউলৰ প্ৰতি কিলোত ১.৩০ পইচাৰ বেচি হব নালাগে। কাৰণ তাৰ লগে লগে চৰকাৰে এইটো কথাও বিবেচনা কৰি চাব লাগিব যে আজি সুলভ মূল্যৰ দোকান বিলাকত যি বিলাক চাউলৰ যোগান ধৰিছে সেই বিলাক অখাদ্য বা খোৱাৰ উপযোগী নহয়। কালি আলোচনাৰ কালত যোগান মন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছিল যে ৰাজ্যিক চৰকাৰে এফ, চি, আইৰ পৰা কোনো অসুবিধা পোৱা নাই। মাননীয় সদস্য বহুত কেইজনেই উল্লেখ কৰিছে আৰু এই ক্ষেত্ৰত আমি জানো যে এতিয়ালৈকে যি বিলাক সমবায় সমিতি আছে আৰু যি পৰিমাণৰ ধান সংগ্ৰহ কৰিছে তাতকৈ বহুত বেচি ধান সংগ্ৰহ কৰিব পাৰিলেহেতেন যদি উপযুক্ত সময়ত এফ, চি, আই বা বেংকে টকা দিব পাৰিলেহেতেন। আমি বহুতো ক্ষেত্ৰত দেখিবলৈ পাইছো যে সমবায় সমিতি বিলাকে ধান সংগ্ৰহ কৰিব নোৱাৰাৰ অন্যতম এটা কাৰণ হ'ল যে উপযুক্ত সময়ত কৃষক সকলক ধানৰ দাম দিব নোৱাৰে কাৰণে তেওঁলোকে বেংকৰ পৰা টকা নাপায় আৰু এফ, চি, আয়েও সময় মতে টকা নিদিয়ে। এই বিলাক কাৰণত আৰু অন্যান্য যি বিলাক আহুৱাহ আছে সেই বিলাক দূৰ কৰিব পাৰিলে সংগ্ৰহ ভাল হ'লহেতেন। উপাধ্যক্ষ মহোদয়, আমি এই কথা লক্ষ্য কৰিব লাগিব বিশেষকৈ আমাৰ যিবিলাক ডাঙৰ ডাঙৰ ব্যৱসায়ী বিলাকে এই বিলাক সমবায় বাঞ্চাল কৰিছে। তাৰ লগতে আমি এই কথাও জানো যে চৰকাৰৰ যোগান বিভাগৰ, ফুড কৰপোৰেচনৰ যি বিলাক বিষয়া আছে সেই বিলাকৰ ষড়যন্ত্ৰৰ ফলতো এই ব্যৱস্থা বাঞ্চাল হৈ আছে। এনেকুৱা বহুত দৃষ্টান্ত আমাৰ হাতত আছে যিবিলাকৰ পৰা প্ৰমাণিত হয় যে তেনেকুৱা ধৰণৰ ষড়যন্ত্ৰৰ কাৰণেই প্ৰকিউৰমেণ্টত বাধাৰ সৃষ্টি হৈছে।

তেনেকুৱা এটা দৃষ্টান্ত মই শিৱসাগৰ মহকুমাৰ সাপেখাটি অঞ্চলৰ পৰা দাঙি ধৰিব পাৰো। তাত ফুড কৰপোৰেচনৰ গুদাম হ'ল এটা মিলত। সেইটো মহালক্ষ্মী মিল। সেই মিলতে ফুড কৰপোৰেচনৰ গুদাম। এজন ইন্সপেক্টৰ আছে আৰু যোগান বিভাগৰ এজন চাব-ইন্সপেক্টৰ আছে। তেওঁলোকৰ সহযোগতেই মিল মালিকে প্ৰকাশ্য ভাৱে ধান সংগ্ৰহ কৰিছে। তাত থকা কৰ্মচাৰী সকলে সকলো ধৰণৰ সহযোগ আৰু সমৰ্থন দিয়াৰ কাৰণে প্ৰকাশ্য ভাৱে ধান সংগ্ৰহ কৰি আছে। পিচে ৰাইজৰ আপত্তি মতে ১১ জানুৱাৰী তাৰিখে চৰকাৰী মেজিষ্ট্ৰেট গৈ তদন্ত কৰিলে আৰু তেওঁৰ ৰিপোৰ্ট মতে তাত থকা ফুড কৰপোৰেচনৰ ইন্সপেক্টৰ আৰু যোগান বিভাগৰ চাব-ইন্সপেক্টৰে সমৰ্থন কৰিছে আৰু তেওঁবিলাকৰ উচ-টনিতেই এনে ধৰণৰ কাম হৈ আছে। সেই ৰিপোৰ্ট জানুৱাৰী মাহৰ ১২ তাৰিখে মহকুমাধিপতিৰ ওচৰলৈ পঠিয়াই দিয়া হৈছে যদিও আচৰিত কথা আজিলৈকে সেই বিষয়া সকলৰ ওপৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। ফুড কৰপোৰেচনৰ ডিষ্ট্ৰিক্ট মেনেজাৰকো কথাটো জনোৱা হৈছে তথাপি কোনো ব্যৱস্থা এতিয়ালৈকে লোৱা হোৱা নাই। এনেকুৱা ভাৱে আন বহুত অঞ্চলতেই চৰকাৰৰ পাইকাৰী ব্যৱসায়ীৰ বিৰুদ্ধে বহুত কৰ্মচাৰীয়ে কাম কৰি থকাৰ ফলত এই নীতিৰ পৰা অন্যান্য বহুত অঞ্চল লাভবান হব পৰা নাই। এই বিষয়ত চৰকাৰে তৎকালে হস্ত-ক্ষেপ কৰা অতি প্ৰয়োজন।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত আমাৰ প্ৰদেশখনৰ সম্পদৰ কথা উল্লেখ কৰিছে কিন্তু এই কথা মই আজি সুধিবলৈ বিচাৰিছো যে প্ৰদেশখনৰ যিখিনি সম্পদ আছে সেইখিনি ব্যৱহাৰৰ কাৰণে বৰ্ত্তমানে থকা উদ্যোগীকৰণ ব্যৱস্থাই যথেষ্ট নে? অধ্যক্ষ মহোদয়, অলপতে যেতিয়া চোভিয়েট ৰাচিয়াৰ তেল মন্ত্ৰীয়ে ভাৰতবৰ্ষ ভ্ৰমণ কৰিছিল তেতিয়া অসমলৈ আহোতে তেখেত সকলৰ লগত কেন্দ্ৰীয় তেল মন্ত্ৰী শ্ৰীবৰুৱা ডাঙৰীয়াও আহিছিল। তেওঁলোকেই এই কথা প্ৰথম কৈছে ভাৰতবৰ্ষত থকা তেলপথাৰৰ ভিতৰত অসমত থকা তেলপথাৰেই সৰ্ববৃহৎ। আৰু এই কথাও তেওঁলোকে প্ৰকাশ্য ভাৱে স্বীকাৰ কৰিছে যে শতকৰা ৫০ ভাগ তেল উৎপাদন হয় অকল অসমতেই। আকৌ নাজিৰাৰ এখন

ৰাজহুৱা সভাত কেন্দ্ৰীয় তেল মন্ত্ৰী দেৱকান্ত বৰুৱাই ঘোষণা কৰিছে যে গেলেকীত যি তেল ওলাইছে ইয়েই ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ বেছি তেল উৎপাদন কৰিব পাৰিব ! আমাৰ প্ৰদেশত জনসংখ্যা তাৰুৰ, অন্যান্য ক্ষেত্ৰতো পিচপৰি আছে কিন্তু আমাৰ সম্পদ ভাৰতবৰ্ষৰ ভিতৰতে বেছি। ইতিমধ্যে ভাৰতবৰ্ষৰ তেলৰ শতকৰা পঞ্চাশ ভাগ আমাৰ প্ৰদেশে উৎপাদন কৰে। ভাৰতবৰ্ষৰ যিমান চাহপাত তাৰ শতকৰা পঞ্চাশ ভাগ আমাৰ প্ৰদেশেই উৎপাদন কৰে। কিন্তু সেই তুলনাত আমাৰ প্ৰদেশ উদ্যোগীকৰণৰ ক্ষেত্ৰত পিচপৰা। তাৰ এটা অন্যতম কাৰণ হল পুঁজিবাদী ব্যৱস্থাই সমাজ ব্যৱস্থা উদ্যোগীকৰণৰ ফালে আগবঢ়াই নিব নোৱাৰে, ই স্বাভাৱিক কথা। ভাৰতবৰ্ষৰ চতুৰ্থ পাচ বছৰীয়া পৰিকল্পনা শেষ হল, পঞ্চম পাচ বছৰীয়া পৰিকল্পনাও এক এপ্ৰিলৰ পৰা আৰম্ভ হব কিন্তু আমি যদি এই কালছোৱালৈ চাওঁ আমি দেখিম কিমান কল-কাৰখানা এতিয়ালৈকে হৈছে। ভাৰতবৰ্ষৰ বেছি ভাগ কল-কাৰখানাই প্ৰতিষ্ঠা হৈছে ডাঙৰ ডাঙৰ মহানগৰী সমূহত। সেইবিলাকক কেন্দ্ৰ কৰিয়েই ডাঙৰ ডাঙৰ কল-কাৰখানা গঢ়ি উঠিছে। আজি কলিকতা, বোম্বাই, মাদ্ৰাজ, বাঙ্গালোৰ, দিল্লীক কেন্দ্ৰ কৰিয়েই বহুত কল-কাৰখানা গঢ়ি উঠিছে। কিন্তু আচলতে যি যি ঠাইত সম্পদ আছে সেই বিলাক ঠাইতহে উদ্যোগ প্ৰতিষ্ঠা হব লাগে এইটো কেৱল ইয়াতেই নহয় পৃথিবীৰ পুঁজিবাদী সকলোবোৰ দেশতেই এই ধৰণৰ ব্যৱস্থা চলি আছিল। ইয়ে অৰ্থ নৈতিক বিকাশত বাধা দিয়ে। আজি চাৰিটা পাচ বছৰীয়া পৰিকল্পনাত যিমান টকা খৰচ হৈছে তাৰ সৰহ ভাগ কেন্দ্ৰীভূত হৈছে ডাঙৰ ডাঙৰ মহানগৰীবিলাকত। আচলতে যিবিলাক অঞ্চলত এই সম্পদ বিলাক আছে সেই বিলাক অঞ্চল বঞ্চিত হৈছে। ভাৰতবৰ্ষত এনে বহুত ঠাই আছে যিবিলাকে সদায় কেৱল সম্পদহে যোগান ধৰি আছে অথচ তাত কোনো উদ্যোগ আদি গঢ়ি উঠা নাই। সেই কাৰণে এই কথা স্পষ্টভাৱে জনাব বিচাৰিছো যে যিবিলাক ঠাইত সম্পদ আছে সেই বিলাক ঠাইতেই উদ্যোগ গঢ়ি তোলাৰ নীতি গ্ৰহণ কৰিব লাগে। কিয়নো আমি এই কথাও জানো যে আমাৰ প্ৰদেশৰ শতকৰা ৭৪ ভাগ মানুহ দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে। ইয়াৰ কাৰণ হল যে আমাৰ প্ৰদেশে যদিও

সম্পদ উৎপাদন কৰিব পাৰিছে তথাপি সেই অনুপাতে আমাৰ প্ৰদেশত উদ্যোগ গঢ়ি উঠা নাই। সম্পদৰাজি ব্যৱহাৰ কৰিবলৈ যদি কোনো উদ্যোগ নাথাকে তেন্তে সেই প্ৰদেশত সম্পদ থকাৰ কাৰণেই আগবাঢ়ি যাব নোৱাৰে। ইয়াৰ কাৰণেই আজি আমাৰ প্ৰদেশৰ মানুহৰ শতকৰা ৭৪ ভাগ দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে।

অধ্যক্ষ মহোদয়, আজি এই নীতি গ্ৰহণ কৰিব লাগিব নহলে ভাৰতবৰ্ষৰ তলত থকা অঞ্চল বিলাক সদায়ে পিচপৰি থাকিব। এনেকুৱা এটা ছোভিয়েট ৰাচিয়াতো হৈছিল ৰাচিয়াৰ বিপ্লৱৰ আগতে। মধ্য এছিয়াত বহুত বিলাক সম্পদ আছিল আৰু সেই সম্পদৰাজি লৈ মস্কো লেনিনগ্ৰাৰ্ডত উদ্যোগ তৈয়াৰ হৈছিল। মধ্য এছিয়াত কপাহ হৈছিল কিন্তু কাপোৰৰ কল-কাৰখানা তৈয়াৰ হৈছিল মস্কোত আৰু লেনিনগ্ৰাৰ্ডত। তাৰ পিচত আহিল ১৯১৭ চনৰ বিপ্লৱ। সেই বিপ্লৱৰ পিচতে লেনিনে দিয়া নিৰ্দেশ মতে মধ্য এছিয়াতো উদ্যোগ তৈয়াৰ হবলৈ ধৰিলে। আনকি মস্কো আৰু লেনিনগ্ৰাৰ্ডত তৈয়াৰ হোৱা আগৰ উদোগ বিলাকো মধ্য এছিয়ালৈ স্থানান্তৰিত কৰিবলগীয়া হল। সেই কাৰণেই পৃথিবীৰ ভিতৰত এসময়ত পিচপৰি থকা ঠাই বিলাকেই উদ্যোগ তৈয়াৰ হোৱাৰ পিচত অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছিল। আমাৰ ইয়াতো তেনেকুৱা নীতি লবলৈ মই চৰকাৰৰ ওচৰত আবেদন কৰিছো।

অধ্যক্ষ মহোদয়, সেই কাৰণে মই চৰকাৰক দাবী জনাইছো যে আমাৰ চৰকাৰেও কেন্দ্ৰীয় চৰকাৰক জনাব লাগিব যে আমাৰ ইয়াত যিবিলাক সম্পদ আছে, এই সম্পদ সমূহৰ ওপৰত ভিত্তি কৰিয়েই আমাৰ ইয়তো উদ্যোগ স্থাপন কৰিব লাগিব ভাৰতবৰ্ষত যিমান বিলাক সম্পদ আছে তাৰ ভিতৰত বেছি ভাগেই আমাৰ অসমৰেই অৱদান। গতিকে এই ক্ষেত্ৰত আমি কেন্দ্ৰীয় চৰকাৰক ডাঠি জনাব লাগিব যে উদ্যোগ আমাৰ অসমতেই স্থাপন কৰিব লাগিব। তাৰ কাৰণে প্ৰয়োজন হলে এটা কিয় পাচটা শোধানাগাৰ, প্ৰেট্ৰোকেমিকেল কপ্লেক্স আদিও বেছিকৈ স্থাপন কৰিব লাগিব। তাৰ কাৰণে দৰকাৰ হলে কাগজৰ কল স্থাপন কৰিব লাগিব। সংখ্যা অনুযায়ী স্থাপন কৰাই যথেষ্ট নহয়। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে, আমাৰ

মাননীয় সদস্য ভট্টাচাৰ্য্য ডাঙৰীয়াই এটা কথা বৰ সঠিক ভাৱেই কৈছে তাৰ বাবে তেখেতক ধন্যবাদ দিছো। সকলোৱে যিটো কথা জানো আৰু স্বীকাৰ কৰিব সকলোৱে সেইটো হৈছে বস্তুৰ দাম বাঢ়িছে। কিন্তু প্ৰকৃততে সেইটো সত্য নহয়। বস্তুৰ দাম বাঢ়িছে, নিবনুৱা বাঢ়িছে, দাৰিদ্ৰতা বাঢ়িছে, পৃথিবীৰ যিটো ভাগত পুজিবাদ চলি আছে সেই সকলো অংশতহে। আৰু যিটো ভাগত সমাজবাদ চলিছে তাত কোনো দাৰিদ্ৰতা নাই, নিবনুৱা নাই গতিকে আমি এই কথাটো বিবেচনা কৰি চাব লাগিব। এই কাৰণে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে যে, আমি অসমত এটা ছোচিয়েলিষ্ট পেটাৰ্ণ কৰিব খুজিছো। কিন্তু মই কব খুজিছো ছোচিয়েলিষ্ট পেটাৰ্ণ বুলিলে কোনো সমাজ ব্যৱস্থা নহয়। দ্বিতীয়তে সমাজ ব্যৱস্থা বুলিলে দুটা পথ আছে এটা হ'ল, পুজিবাদ আৰু আনটো সমাজতন্ত্ৰবাদ। ছোচিয়েলিষ্ট পেটাৰ্ণ বুলিলে কোনো সমাজ ব্যৱস্থা নহয়। আৰু ই কোনো চাইন্টিফিক ব্যৱস্থাও নহয়। আৰু এটা কথা হৈছে যে কিছুদিনৰ আগলৈকে আমাৰ দেশৰ মানুহে সমাজবাদ নো কি তাক মানি লোৱা নাছিল; মানি লবলৈ টান পাইছিল কিন্তু এতিয়া কিছুমান ভাৰতবৰ্ষৰ মানুহে সমাজবাদৰ সীমাৰেখাত উপস্থিত হৈছেহি। আজি প্ৰায় দুমাহৰ আগতে লক্ষ্ণৌত ইন্দিৰা গান্ধীক এখন ৰাজহুৱা সভাত এটা কথা সুধিছিল। ভাৰতবৰ্ষৰ সমস্যা সমাধানৰ বিকল্প পথ কি? এই উত্তৰত প্ৰধান মন্ত্ৰীয়ে কৈছিল যে কিছুমানে কোৱাৰ দৰে ভাৰতবৰ্ষত পুজিবাদী পদ্ধতিৰে সমস্যা সমাধান কৰিব লাগিব। এতিয়ালৈকে যদিও সমাজবাদৰ কথা কৈছো, ছোচিয়েলিষ্ট পাৰ্টিৰ কথা কৈছে, ভাৰতবৰ্ষত পুজিবাদ চলিয়েই আছে। পুজিবাদ শক্তিশালী হৈ আছে। গতিকে এই অৱস্থাত দাৰিদ্ৰতা স্বাভাৱিক, নিবনুৱা সমস্যা স্বাভাৱিক, নিবক্ষৰতা স্বাভাৱিক। এই অৱস্থাত বস্তুৰ দাম প্ৰতি বছৰে বঢ়াটো স্বাভাৱিক আৰু এইটো হৈছে পুঁজিবাদী সমাজ ব্যৱস্থাৰ স্বাভাৱিক নিয়ম।

ভাৰতবৰ্ষ এখন সমৃদ্ধিশালী দেশ বুলি পৰিগণিত। সেই হেতুকে পৃথিবীৰ আন আন দেশ সমূহলৈ আঙুলিয়াই দিয়ে। আজি এটা কথা জনাব বিচাৰিছো যে, যি আমেৰিকা, বৃটেইন যি বিলাক আজি পৃথিবীৰ ভিতৰত ধনী দেশ সেই বিলাক দেশতেই অৰ্থাৎ আমেৰিকাতেই, বৃটেইনতেই

দাৰিদ্ৰতা আছে, নিবনুৱা আছে, তাৰ চৰকাৰী হিচাব মতে সাত লক্ষ নিবনুৱা আছে। আমেৰিকা ধনী হ'লেও তাত যিবিলাক নিগ্ৰো আছে তেওঁবিলাকক সমান অধিকাৰ দিয়া নাই। একেখন কলেজতে পঢ়িব নোৱাৰে, একেখন হোটেলতে খাব নোৱাৰে। বৃটেইনো এখন ধনী দেশ। কিন্তু তাতো নিবনুৱা আছে। দাৰিদ্ৰতা আছে। আজি ভাৰতীয় মানুহ বিলাকক, যি বিলাক তাত আছে সেই বিলাকেও বিদেশত সমান অধিকাৰ পোৱা নাই। গতিকে ভাৰতবৰ্ষত পুঁজিবাদী পদ্ধতিৰে আমাৰ দেশৰ সমস্যা সমাধান কৰিব নোৱাৰে। সেই কাৰণে ১৯৩৫ চনত জৱাহাৰলাল নেহেৰুৱে কৈছিল যে ভাৰতবৰ্ষত পুঁজিবাদী পদ্ধতিৰে দৰিদ্ৰতা, নিবনুৱা সমস্যা সমাধান কৰিব পৰা নহয়, ইয়াৰ কাৰণে সমাজতন্ত্ৰৰ অবিহনে অন্য কোনো পথ নাই।

গতিকে ভাৰতবৰ্ষৰ এই সমস্যা বিলাক সমাধানৰ কাৰণে সমাজতন্ত্ৰ বাদৰ সহায় লব লাগিব। সমাজতন্ত্ৰ বাদৰ মূল অৰ্থ হৈছে উৎপাদন ব্যৱস্থা ৰাষ্ট্ৰীয়কৰণ কৰা। যিমানে সমাজবাদ বুলি নকওক লাগিলে মালিকী স্বত্ব থকা দেশত, মজদুৰ থকা দেশত, অৰ্থাৎ পুজিবাদ থকা সমাজত সমাজতন্ত্ৰবাদ হব নোৱাৰে। সেই কাৰণে ভাৰতবৰ্ষই অতিশীঘ্ৰে ব্যৱস্থা হাতত লব লাগিব যাৰ দ্বাৰা ইয়াত সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰিব পৰা হব। এই ক্ষেত্ৰত চৰকাৰক আবেদন জনাওঁ যে সমাজবাদ কেৱল উদ্দেশ্য হিচাবে গ্ৰহণ কৰাটোৱেই যথেষ্ট নহয়, সেই উদ্দেশ্য কাৰ্য্যকৰী কৰাৰ কাৰণে উপযুক্ত কাৰ্য্যসূচীও গ্ৰহণ কৰিব লাগিব। কিছুমান লোকে কয় যে ভাৰতবৰ্ষ এনে এখন দেশ য'ত নেকি বহুত ভাষা আছে, বহুত ধৰ্ম্ম আছে গতিকে এই দেশত সমাজবাদ প্ৰতিষ্ঠা হব নোৱাৰে। ই অন্তৰাৰৰ সৃষ্টি কৰিব বুলি তেওঁ বিলাকে কয় যদিও প্ৰকৃততে বহুত ভাষা আৰু বহুত ধৰ্ম্ম থাকিলেই সমাজবাদৰ অন্তৰায়ৰ সৃষ্টি কৰিব নোৱাৰে। ই সমাজবাদৰ সোঁতত বাধা দিব নোৱাৰে। অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই ছোভিয়েট দেশৰ কথা কব খুজিছো। তাত ১৩১ টা স্বীকৃতিপ্ৰাপ্ত ভাষা, বহুত ধৰ্ম্মও আছে। এই কথা আপোনালোকে সকলোৱে জানে। কিন্তু তথাপিও তাত সমাজবাদ প্ৰতিষ্ঠা হব পাৰিছে। আৰু এই ছোভিয়েট দেশ একালত যদিও আটাইতকৈ পিচপৰি আছিল এতিয়া মাত্ৰ সমাজ

তন্ত্ৰবাদৰ কাৰণেই পৃথিবীৰ ভিতৰত এখন অগ্ৰগণ্য দেশ হিচাবে পৰিগণিত হব পাৰিছে। এই ক্ষেত্ৰত কিবা এটা কৰিবলৈ যোৱাৰ আগতে এচিয়া মহাদেশৰ এই সমাজতান্ত্ৰিক দেশ বিলাকলৈ লক্ষ্য কৰিব লাগিব। ১৯১৭ চনৰ আগতে তাত যি ব্যৱস্থা আছিল সেই ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন হোৱাৰ পৰাই তাত সমাজতান্ত্ৰিক ব্যৱস্থাৰ প্ৰবৰ্ত্তন হৈছে আৰু তেতিয়াৰ পৰা সেই দেশ আগবাঢ়ি যাবলৈ সক্ষম হব পাৰিছে।

অধ্যক্ষ মহোদয়, আমি যদি আজি মধ্য এছিয়াৰ জনসংখ্যালৈ চাওঁ তেনেহলে দেখা পাম উজবেকিস্তান, কিৰগিজীয়াৰ, তাজিকিস্তান আৰু তুৰ্কমেনিয়াৰ জনসংখ্যা তেনেই তাকৰ।

এইবিলাক একোখন বেলেগ বেলেগ প্ৰজাতন্ত্ৰ। এইবিলাক ১৯১৭ চনত একেবাৰে পিচপৰি আছিল। কিন্তু ১৯৬৭ চনৰ হিচাবত দেখা যায় যে পৃথিবীৰ যিবিলাক ডাঙৰ ডাঙৰ ধনী দেশ সেই দেশবিলাকক চেৰ পেলাই গৈছে। শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ অগ্ৰগতি হ'ল ১৯৬৭ চনত প্ৰত্যেক ১০,০০০ হাজাৰ জনসংখ্যাত উচ্চ শিক্ষা লাভ কৰা ছাত্ৰ-ছাত্ৰী—উজবেক—১৭৩, কিৰঘিজী—১৩৩, তাজিকিস্তান—১৩১, তাৰ্কমেৰী ১১৫ আৰু সেই হিচাবত আমেৰিকাত আছিল—২০৮, বৃটিশত—৫৮, ফ্ৰান্সত—৭১, ফেডাৰেল জাৰ্মানীত—৪৫, জাপানত ৮৪আৰু একে সময়তে এছিয়াৰ টাৰ্কিত—২৮, ভাৰতত—২৪, পাকিস্তানত—২২ আৰু ইৰাণত—১০।

চিকিৎসাৰ ক্ষেত্ৰত তদন্ত কৰি দেখা যায় ১৯৬৮ চনৰ তুলনাত ১৯১৩ চনত যি আছিল তাৰ পৰিবৰ্ত্তন হৈছে। ডাক্তৰ প্ৰতি ১০,০০০ হাজাৰত স্পেচিয়েলিষ্ট ১৯১৩ চনত ·৩ আছিল আৰু ১৯৬৮ চনত ১৮·১ হ'ল, কিৰঘীজিত আছিল ১৯১৩ চনত ·২, ১৯৬৮ চনত ১৯·৫, তাজিকিস্তানত ১৯১৩ চনত ·২ আৰু ১৯৬৮ চনত ১৫·৪, তাৰ্কমেনিয়াত ১৯১৩ চনত ০·৭ আৰু ১৯৬৮ চনত ২১·১।

গতিকে এইবিলাক হৈছে কিছুমান দৃষ্টান্ত। আমাৰ মাননীয় সদস্য গৰাকীয়ে কৈছে যে এই কথাবিলাক পাৰ্লিয়ামেণ্টত কোৱা ভাল কিন্তু ৰাজ্যপালে উল্লেখ কৰিছে যে তেখেতৰ চৰকাৰে সমাজতন্ত্ৰ কৰিবলৈ

বিচাৰিছে। আমি কওঁ এই সমাজতন্ত্ৰ এটা শ্লোগানহে মাত্ৰ। কিন্তু বাস্তৱ দৃষ্টিভঙ্গীত তেখেত সকলে এই কথাটো চিন্তা নকৰে। সেই কাৰণে আমি আলোচনা কৰিছো। আজি আমাৰ দেশত দৰিদ্ৰ আছে আৰু নিবনুৱা সমস্যা আছে। এই নিবনুৱা সমস্যা সমাধান কৰিবলৈ হলে সমাজতন্ত্ৰ অবিহনে অন্য কোনো উপায় নাই।

অধ্যক্ষ ডাঙৰীয়া, এতিয়া আমাৰ প্ৰদেশৰ বাস্তৱ সমস্যাৰ লগত আলোচনা কৰি মই এটা কথা উল্লেখ কৰিব খুজিছো। আমাৰ প্ৰদেশৰ প্ৰশাসন পুনৰ গঠনৰ কথা চৰকাৰে বিবেচনা কৰিব লাগে। মই এই কথা জানো যে নতুন পঞ্চায়ত আইনৰ ব্যৱস্থা কৰি মহকুমা পৰিষদলৈ ক্ষমতা হস্তান্তৰ কৰিছো সেই ক্ষমতা বিকেন্দ্ৰীকৰণৰ কাৰণে এটা ডাঙৰ পদক্ষেপ। আমাৰ প্ৰদেশত যদি মহকুমা পৰিষদ বিলাকক ক্ষমতাৰ কেন্দ্ৰ বুলি বিবেচনা কৰে তেনেহলে তাৰ লগে লগে প্ৰশাসন পুনৰ গঠন কৰাতো চৰকাৰে চিন্তা কৰিব লাগিব। কাৰণ ১৮, ২০, ২২ লক্ষ্যাৰে গঠিত জিলা এখনত এই ব্যৱস্থাৰে জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰা কঠিন হব। সেই কাৰণে মই ভাবো চৰকাৰে এই কথাটো পুনৰ বিবেচনা কৰা দৰ্কাৰ। প্ৰশাসন কেনেকৈ পুনৰ গঠন কৰিব পাৰি এই বিষয়টো চৰকাৰে চিন্তা কৰাৰ সময় হৈছে। কিয়নো জিলা কম জনসংখ্যা অনু-পাতে ভগালে প্ৰশাসনৰ অধিক সুবিধা হব বুলি আমি ধাৰণা কৰো।

অধ্যক্ষ মহোদয়, আৰু ৫ মিনিট কৈয়ে মই শেষ কৰিম। আমাৰ চৰকাৰে যিবিলাক কথাত মনোযোগ দিয়া প্ৰয়োজন সেইবিলাকৰ ভিতৰত আমাৰ যিবিলাক ভূমি সংস্কাৰ আইন পাচ হৈছিল সেইবিলাকৰ কাৰ্য্য-কৰী ব্যৱস্থা হোৱা নাই। ১৯৭১ চনতে প্ৰজাস্বত্ব আইন পাচ কৰা হ'ল, মাটিৰ চিলিং আইন পাচ কৰা হ'ল কিন্তু চৰকাৰৰ পক্ষৰ পৰা আজিলৈ তাৰ কাৰ্য্যকৰী ব্যৱস্থা নহ'ল। প্ৰজাস্বত্ব আইনমতে ৰায়ত সকলক যি অধিকাৰ দিব লাগিছিল সেই অধিকাৰ আজিলৈকে ৰায়তে পোৱা নাই। যিবিলাক আইন গ্ৰহণ কৰা হৈছিল সেই বিলাক কাৰ্য্য-কৰী কৰাৰ ক্ষেত্ৰত চৰকাৰৰ পক্ষৰ পৰা খৰখেদা ব্যৱস্থা লোৱা দৰ্কাৰ। আমি নিতান্তই দুখ পাইছো যে এই বিধান সভাত যিবিলাক আইন পাচ কৰা হয় তাক বাস্তৱ ৰূপ দিবলৈ চৰকাৰ তৎপৰ নহয়। এই

আইন বিলাকৰ মহৎ উদ্দেশ্য আছিল যে ইয়াৰ দ্বাৰা ৰায়ত সকলে নিজৰ অধিকাৰ পাব কিন্তু চৰকাৰে তাক সংৰক্ষণ কৰিব পৰা নাই। গতিকে এই আইন বিলাকৰ বিৰুদ্ধে বা এই বিলাক বাঞ্চাল কৰিবলৈ যি সকলে চেষ্টা কৰিছে—সেই বিলাকৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱা উচিত বুলি আমি ভাবো।

আজি আমাৰ প্ৰদেশত বস্তুৰ চৰা দাম— তাক ৰোধ কৰিবলৈ চৰকাৰে কঠোৰ ব্যৱস্থা লব লাগিব। তাৰ কাৰণে যি বিলাক লোকে এই কৃত্ৰিম অনাটনৰ সৃষ্টি কৰিলে সেই বিলাকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা দৰ্কাৰ। অধ্যক্ষ ডাঙৰীয়া, আপুনি জানে নিত্য প্ৰয়োজনীয় বস্তু যেনে মিঠাতেলৰ দাম প্ৰতি লিটাৰত ১৪ টকালৈ হৈছে, নিমখৰ কেজি ১ টকালৈ হৈছে কিন্তু এই বিলাক বস্তুৰটো অনাটন হোৱা নাই। আমি এটা কথা কওঁ চৰকাৰে কনট্ৰোল বান্ধি দিলেই বস্তুৰ দাম বাঢ়ে এই কথাটো সচা নহয়। নিমখৰটো কণ্ট্ৰোল নাছিল। আচলতে চোৰাং বেপাৰী সকলে এই বস্তুবিলাকৰ অনাটনৰ সৃষ্টি কৰি মুনাফা লবলৈ চেষ্টা কৰিছে। গতিকে এই সকল লোকৰ ওপৰত কঠোৰ ব্যৱস্থা অৱলম্বন কৰিব লাগে। বস্তুৰ চৰা দাম বন্ধ কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে অন্য কোনো পথ নাই।

অধ্যক্ষ মহোদয়, আমাৰ প্ৰদেশত উদ্যোগৰ কাৰণে আমি যথেষ্ট কষ্ট কৰিব লাগিব আৰু ৰাজ্যত উদ্যোগ স্থাপন কৰিব লাগিব। আমাৰ প্ৰদেশত অৰ্থনৈতিক উন্নতিৰ কথা বিবেচনা কৰিব লাগিব। কাৰণ আমি এই কথা জানো যে আমাৰ প্ৰদেশখনক আৰু সমাজখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আমি ট্ৰেড-ইউনিয়নৰ অধিকাৰ বিবেচনা কৰিব লাগিব।

আজি যি সকল মালিকে শ্ৰমিকৰ অধিকাৰ মানিব নুখুজে আৰু শ্ৰমিক সকলক অন্যভাবে জুলুম কৰি বৰ্খাস্ত কৰি নানা বেমেজালিৰ সৃষ্টি কৰিব বিচাৰিছে— সেইসকলৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা লোৱাৰ প্ৰয়োজন।

সৰ্ব্বশেষত এই কাম বিলাক কৰিবৰ কাৰণে মই এইটো কথা উল্লেখ কৰিব বিচাৰিছো যে আমাৰ শাসনযন্ত্ৰ কেৱল পুনৰ গঠন কৰাই নহয় আমাৰ গোটেই প্ৰশাসনৰ বাবে মেচিনেৰী বা যন্ত্ৰপাতি পুনৰ নিৰ্মাণ

কৰিব লাগিব আৰু এইটো অতি সোনকালে কৰাৰ দৰ্কাৰ। আমি জানো যে যিবিলাক প্ৰগতিমূলক আইন হৈছে, ভূমি সংস্কাৰৰ আইন হৈছে আৰু বহুতো আইন ধান চাউল ব্যৱসায়ৰ ক্ষেত্ৰত লৈছে সেই বিলাক কাৰ্য্যকৰী কৰিবলৈ যাওঁতে চৰকাৰে যেনে দৰে ৰাইজৰ সহযোগিতা বিচাৰে আৰু ঠিক তেনেকৈ চৰকাৰী কৰ্ম্মচাৰীসকলেও এই আইন বিলাক কৃতকাৰ্য্য কৰিবলৈ যথেষ্ট চেষ্টা কৰিব লাগিব আৰু তাৰ প্ৰতি চৰকাৰৰ চোকাদৃষ্টি থাকিব লাগিব। এই ক্ষেত্ৰত যদি জনসাধাৰণে আইনবোৰ কৃতকাৰ্য্য কৰাৰ কাৰণে প্ৰধান ভূমিকা গ্ৰহণ নকৰে তেতিয়াহলে এই বিলাক কাম কৰাটো সম্ভৱপৰ নহয়। প্ৰশাসনীয় যন্ত্ৰ পৰিষ্কাৰ নোহোৱাৰ বাবে এই আইন বিলাক কৃতকাৰ্য্য কৰাত যথেষ্ট বাধাৰ সৃষ্টি হৈছে। আৰু গোটেই বিলাক কথা বিবেচনা কৰি প্ৰশাসন পুনৰগঠন কৰাৰ কাৰণে বিশেষ ব্যৱস্থা লবলৈ আমি দাবী জনাইছো।

অধ্যক্ষ মহোদয়, সামৰণিৰ আগতে মই পুনৰ অসম চৰকাৰক এই কথা জনাব বিচাৰিছো যে আমাৰ দেশত বৰ্ত্তমান যিটো প্ৰশাসনীয় ব্যৱস্থা আছে সেইটো প্ৰগতিমূলক আইন বিলাকক কৃতকাৰ্য্য কৰাৰ কাৰণে অতি শীঘ্ৰে বিশেষ সংস্কাৰৰ কাৰণে ব্যৱস্থা লবলৈ দাবী জনাইছোঁ আৰু ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

শ্ৰীলক্ষীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ ১৯৭৪ চনৰ বাজেট অধিবেশন মুকলি কৰি অসমৰ শ্ৰদ্ধেয় ৰাজ্যপাল শ্ৰীএল, পি, সিং এ যি ভাষণ দিলে সেই ভাষণৰ আলোচনা মুকলি কৰি শ্ৰদ্ধেয় সদস্য শ্ৰীগুণেন্দ্ৰ পণ্ডিত ডাঙৰীয়াই যি প্ৰস্তাৱ উত্থাপন কৰিছে সেই প্ৰস্তাৱটো মই সমৰ্থন কৰি দুষাৰ কথা কবলৈ আগবাঢ়িছো।

অধ্যক্ষ মহোদয়, এই আলোচনাত অংশ গ্ৰহণ কৰাৰ আগতে মই এটা স্পষ্টিকৰণ কৰিব বিচাৰিছো—সেইটো হ'ল আমাৰ আলোচনা কালত বিৰোধী পক্ষৰ কেইবাজনো সন্মানিত সদস্যই উল্লেখ কৰিছে চৰকাৰৰ কৰ্ম পদ্ধতি সম্পৰ্কে। চৰকাৰে ভাল কাম কৰা নাই—এই কথাটো সত্য নহয়। আমাৰ শ্ৰদ্ধেয় সদস্য শ্ৰীপণ্ডিত ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে সেইটোত আছে যে ৰাজ্যপালৰ ভাষণ আলোচনা কৰা হওক; যিহেতু চৰকাৰৰ কাৰ্য্য-প্ৰণালী সম্পৰ্কে আলোচনা হব। আলোচনাত

অংশ গ্ৰহণ কৰা সকলে ভাল বেয়া দুয়োটা দিশ ফহিয়াই দিব পাৰে। এই আলোচনা গঠনমূলকভাবে যাতে কৰা হয় তাৰ বাবে লক্ষ্য ৰাখিবৰ কাৰণে সন্মানিত সদস্য সকলক অনুৰোধ কৰিলোঁ।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত অসমৰ অস্থায়ী ৰাজধানীৰ কথা উল্লেখ কৰিছে। সেই সম্পৰ্কত যিসকল ন্যস্ত আছিল তেওঁলোকক অভিনন্দন জনাইছে—ময়ো আমাৰ পক্ষৰ পৰা সেই সকললৈ অভিনন্দন জনাইছো। এইখিনিতে এটা কথা কব বিচাৰিছো যি ক্ষিপ্ৰতাৰে ৰাজধানী স্থানান্তৰ কৰা হল সেই ক্ষিপ্ৰতা যাতে কৰ্মচাৰী সকলে আন আন ক্ষেত্ৰতো দেখুৱায় তেতিয়াহলে ভাল হয়। দিচপুৰৰ ওচৰত থকা মেডিকেল কলেজলৈ চালে সেই ক্ষিপ্ৰতা দেখা নাপাওঁ। সেই কাৰণে চৰকাৰী কৰ্মচাৰী সকলক অনুৰোধ কৰিছো যাতে আন আন কামত দক্ষতা দেখুৱায়। এখন দুখীয়া ৰাজ্যৰ যি ধন ব্যয় কৰা হয় তাৰ দ্বাৰা যাতে ভাল কাম হয় তাত যাতে চকু-কাণ দিয়ে। এইখিনিতে এটা কথালৈ মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো—ই হ'ল নিৰ্মাণ কাৰ্য্য। ইয়াৰ মানদণ্ড যিয়েই নহওক স্থাপত্য শিল্পৰ কাৰিকৰৰ যিটো নমুনা দেখুৱালে তাত নজৰ দিয়া উচিত। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ কাৰণে যি ঘৰ নিৰ্মাণ কৰা হৈছে তাৰ মানদণ্ড নিম্ন হব পাৰে—যিহেতু খৰতকীয়া ভাবে কম সময়ৰ ভিতৰত কৰা হৈছে। এইখন ৰাজধানী অস্থায়ী হলেও স্থায়ী ৰাজধানীলৈ যাবলৈ কমেও ১০ বছৰ সময় লাগিব। গতিকে এই ১০ বছৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকল কি ধৰণে থাকিব সেই কথালৈ লক্ষ্য কৰা উচিত।

ৰাজধানী চিলঙৰ পৰা ইয়ালৈ অহাৰ পিচত সচিবালয় আৰু সঞ্চালক সমূহ বিভিন্ন ঠাইত হৈছে। আগৰ অধিবেশনত ইয়াৰ তালিকা দিবলৈ মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। আমাৰ ইয়াত টেলিফোন ব্যৱস্থা অসুবিধাজনক হৈ আছে। এই বিষয়টো ৰাজ্য চৰকাৰৰ হাতত নাই যদিও এই বিষয়ে কৰ্তৃপক্ষৰ লগত আলোচনা কৰি ব্যৱস্থা কৰিব বুলি আশা কৰিলো।

অসমৰ পুনৰ গঠন ব্যৱস্থা মতে একেজন ৰাজ্যপালে বিভিন্ন ৰাজ্যৰ বিধান সভাত যি বিবৃত্তি দিয়ে ই কাৰো লগত নিমিলে। তেখেত গৃহ

বিভাগৰ যিহেতু সচিৱ আছিল—গতিকে পুনৰ গঠনৰ কথাটো ভালকৈ জানিব ।

কালি এই বিধান সভাৰ আলোচনা কালত এটা কথা উল্লেখ কৰা হৈছে যে বৰ্তমানৰ ৰাজ্যপালজন আগতে গৃহদপ্তৰৰ সচিৱ আছিল গতিকে তেখেতে অসমৰ পুনৰগঠনৰ কথাটো ভালকৈ জানে । সেয়ে পূৰ্বাঞ্চলত থকা ৰাজ্য কেইখনৰ মাজত যাতে কোনো প্ৰকাৰৰ অশান্তি নহয় আৰু সীমা বিবাদৰ ব্যৱস্থাটো যাতে বেয়ালৈ নাযায় এই সম্পৰ্কে তেখেতে যেন চিন্তা কৰে ।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত এই বছৰ কিমান নিয়োগ দিয়া হব আৰু অহা বছৰলৈ কিমান নিয়োগ কৰা হব সেই সম্পৰ্কে এটা আলোচনা কৰিছে কিন্তু প্ৰকৃত পক্ষে পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাত আমি কিমানলোকক নিয়োগ দিব পাৰিছো বা কি কাৰ্যাকৰী ব্যৱস্থা হাতত লোৱা হৈছে সেই বিষয়ৰ এখন ভাল প্ৰতিচ্ছবি দাঙি ধৰিব পৰা নাই । অলপতে গুৱাহাটী বিশ্ববিদ্যালয়ত কনভোকেশ্যন হৈ গ'ল, তেতিয়া তাৰ ছাত্ৰ বন্ধু সকলে এটা ৰিজলোচন লৈছিল যে তেওঁলোকক ডিগ্ৰীৰ পৰিবৰ্তে নিয়োগৰ ব্যৱস্থা কৰিব লাগে । ইয়াৰ যথেষ্ট অৰ্থ আছে । গতিকে এই দিশটো আমি পাহৰি যোৱা উচিত নহব যে আমাৰ ৰাজ্যত নিবনুৱা সমস্যাই এটা ভয়াবহ ৰূপ ধাৰণ কৰিছে । আমি পৰিকল্পনাৰ খচৰা প্ৰস্তুত কৰোতেই এই বিষয়টো কেনেকৈ সমাধান কৰিব পৰা যায় তাক ভালকৈ চিন্তা কৰিব লাগিব ।

অধ্যক্ষ মহোদয়, আমাৰ এই অধিবেশনখন এখন গুৰুত্বপূৰ্ণ অধিবেশন, এই কাৰণেই যে চতুৰ্থ পঞ্চম পৰিকল্পনাৰ শেষৰ সময় আৰু পঞ্চম পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ আৰম্ভণী । এই দোমোজাত বহা অধিবেশনত বিগত আৰু সাম্ভাব্য পৰিকল্পনাৰ বিষয়ে স্পষ্ট ভাবে আলোচনা কৰাৰ সুযোগ আহিছে । ৰাজ্যপালৰ ভাষণত এই কথাবিলাক ভাল আলোচনা কৰা হোৱা নাই যদিও কিছু উল্লেখ কৰিছে । ভাৰতবৰ্ষৰ প্ৰত্যেক ৰাজ্যই প্ৰত্যেক বিষয়তে স্বাৱলম্বী হব যে লাগিব এনে কথা নহয় কিন্তু আজি আমি চাব লাগিব যে কি কি বিষয়ত আমি স্বাৱলম্বী হব পাৰো । আমাৰ অৰ্থনৈতিক দিশটো আমি ভালকৈ চাব লাগিব । অহা পঞ্চম

পঞ্চবাৰ্ষিক পৰিকল্পনাত আমি কেনেকৈ অগ্ৰসৰ হব পাৰিম এই কথাটোৰ এটা আভাষ আমি ৰাজ্যপালৰ ভাষণত পাব লাগিছিল। আমাৰ দেশৰ ভৌগলিক আৰু জলবায়ুৰ লগত খাপ খোৱা কি কি বিষয়ত আমি আগবাঢ়িব পাৰিম আৰু সেই বিষয়ে আমি কি কি ব্যৱস্থা হাতত লম আৰু আমাৰ দেশৰ বৰষুণৰ পৰিমাণ বুজি আমি কি কি কাম কৰিব পাৰো এই বিষয়ে আমি চিন্তা কৰি সেই মতে কাম কৰাৰ আঁচনি কৰিব লাগে। তেতিয়া হলে আমি দেখ দেখকৈ আমাৰ পৰিকল্পনা সফল কৰি তুলিব পাৰিম। অহা পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাত আমি আলোচনা কৰিবলৈ পাম আৰু আজিও এই কথাটো মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিব খোজো যে আমি আমাৰ খাদ্য দ্ৰব্যত স্বাৱলম্বিতা অৰ্জন কৰিব পাৰো আৰু আমাৰ যিখিনি কেচা মাল মজুত আছে তাৰ ওপৰত ভিত্তি কৰি আমি যি উদ্যোগ গঢ়ি তুলিব পাৰো তাৰ প্ৰতি আমি অধিকতৰ মনোনিবেশ দিব লাগে। আমাৰ দেশত ব্ৰহ্মপুত্ৰৰ বাননিয়ন্ত্ৰণ আৰু সংযোগ ব্যৱস্থাৰ প্ৰয়োজন আজি অন্যতম হৈ পৰিছে। এই কথা কেইটালৈ লক্ষ্য ৰাখি আমি আমাৰ পৰিকল্পনাৰ খচৰা প্ৰস্তুত কৰিব লাগে।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনাৰ কালত এটা কথা উল্লেখ কৰা হৈছে যে আমাৰ দেশত ছাত্ৰ সকলৰ মাজত এটা অসন্তুষ্টিৰ ভাবে দেখা দিছে আৰু তাৰ বাবে বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে কংগ্ৰেছ চৰকাৰকেই দায়ী কৰিছে। খাদ্য দ্ৰব্যৰ মূল্য বৃদ্ধিয়েই এই অসন্তুষ্টিৰ কাৰণ বুলিও উল্লেখ কৰা হৈছে। অধ্যক্ষ মহোদয়, এইটো কথা ঠিক যে কোনো এটা দল বা কোনো এখন চৰকাৰৰ ওপৰত দায়িত্ব জাপি দিলেই আমি হাত সাৰিব নোৱাৰো। ভাৰতবৰ্ষৰ দৰে সংযুক্ত ৰাষ্ট্ৰ এখনৰ দায়িত্ব এটা চৰকাৰৰ ওপৰত জাপি দি ৰাজ্যিক চৰকাৰক কাঠগৰাত থিয় কৰাই দিয়াটোৱেই আমাৰ কৰ্তব্য হব নোৱাৰে। অৱশ্যে মই এইটোও কব খোজা নাই যে এখন ৰাজ্যত খাদ্য দ্ৰব্য বা কোনো এটা বস্তুৰ মূল্য বৃদ্ধি হলেই আমাৰ ৰাজ্যতো হব লাগে। এইটো কথা স্বীকাৰ কৰিবই লাগিব যে আন আন ৰাজ্যৰ তুলনাত আমাৰ অসম ৰাজ্যই যথেষ্ঠ দুৰ্ভোগ ভুগিছে। আজি খাদ্য দ্ৰব্যৰ যি মূল্য বৃদ্ধি আৰু অনাটন হৈছে তাৰ কাৰণে দুখীয়া ৰাজ্য এখনৰ বাসিন্দাই অশেষ কষ্ট নোপোৱাকৈ নাথাকে।

অধ্যক্ষ মহোদয়, কালি আলোচনা প্ৰসংগত মাননীয় সদস্য ভট্টাচাৰ্য্য ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে যি চৰকাৰেই নহওক মাত্ৰ পাচ বছৰৰ ভিতৰত ৰাজ্য এখন স্বৰ্গত পৰিণত কৰিব নোৱাৰে। কিন্তু এটা কথা প্ৰমাণ কৰা ভাল হব যে ৰাজ্য এখনৰ অৱস্থা ভাললৈ আনিবৰ কাৰণে অন্তৰেৰে চেষ্টা কৰিছে নে নাই? এই কথাটোৱেহে প্ৰমাণ কৰিব যে জনাসাধাৰণৰ কাৰণে চৰকাৰে চিন্তা কৰিছে নে নাই? কোনো এটা কথাৰ গয়না লৈ মই এই কথা কব খোজা নাই, অৱশ্যে ভট্টাচাৰ্য্য ডাঙৰীয়াই স্বীকাৰ কৰিবই লাগিব যে ৰাজ্য এখনৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে, আৰু তাৰ বাসিন্দা সকলৰ মঙ্গলৰ কাৰণে বাতাবৰণৰ ব্যৱস্থা কৰিব লাগে। এই খিনি কৰাত চৰকাৰ কোনোগুণেই পিচপৰি থকা নাই। অকল এম, এল, এ সকলেই যে এনে এটা বাতাবৰণৰ সৃষ্টি কৰিব লাগে এনে নহয় এই সকলৰ লগত জড়িত কৰ্মচাৰী সকলেও জনসাধাৰণৰ লগত সহযোগিতা কৰিলে নিশ্চয় এনে এটা বাতাবৰণৰ সৃষ্টি হব। উদাহৰণ স্বৰূপে অধ্যক্ষ মহোদয়, আজি খাদ্য দ্ৰব্যৰ যি মূল্য বৃদ্ধি হৈছে এইটো কি ভাবে গুচাব পৰা যায়? আজি কোৱা হৈছে যে অসম চৰকাৰে নিজৰ হাতলৈ ধান-চাউলৰ পাইকাৰী ব্যৱসায় অনাৰ কাৰণেই খাদ্য দ্ৰব্যৰ মূল্য বৃদ্ধি হ'ল। মই কওঁ যে এই ব্যৱসায়টো যদি চৰকাৰে নিজৰ হাতলৈ নানিলেহেঁতেন, তেনেহলে এই ব্যৱসায়টো এক শ্ৰেণীৰ মানুহৰ হাতত থাকিলেহেঁতেন, যি শ্ৰেণীৰ মানুহে নিজৰ ইচ্ছা অনুসৰি ইয়াৰ দাম নিৰ্দ্ধাৰণ কৰি থাকিলহেঁতেন। ৰাজ্যত বৰষুণ বেচি হলে, বানপানী হলে, দেশত যুদ্ধ আদি আহে, যেতিয়াই যি সুবিধা পায় তেতিয়াই সেই সুবিধাকে গ্ৰহণ কৰি ধান-চাউলৰ মূল্য ইচ্ছানুযায়ী বৃদ্ধি কৰি থাকিলেহেঁতেন তেতিয়া এই ধান-চাউলৰ মূল্য নিয়ন্ত্ৰণ কৰাৰ কোনো উপায় নাথাকিলহেঁতেন। এই দৰেই যদি প্ৰয়োজনীয় বস্তু বিলাকৰ নিয়ন্ত্ৰণৰ ভাৰ চৰকাৰে নিজৰ হাতলৈ নানে তেন্তে সেই বিলাক কোনো দিনে নিয়ন্ত্ৰণ কৰা সম্ভব নহব। তাৰ দাম বৃদ্ধি হৈয়ে থাকিব। এইটো এটা স্বাভাৱিক গতি। এই গতিক প্ৰতিৰোধ কৰিবলৈ বিচাৰিলে ইয়াৰ উৎপাদন আৰু বিতৰণৰ দায়িত্ব চৰকাৰৰ নিজৰ হাতলৈ আনিব লাগিব। গতিকেই প্ৰথমতে ধান-চাউলৰ পাইকাৰী ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ

আনিছে। কিন্তু তাৰ বিনিময়ত কি হৈছে ? এই ধান-চাউলৰ ব্যৱসায় চৰকাৰে নিজৰ হাতলৈ অনাৰ কাৰণে যি সকল ক্ষতিগ্ৰস্ত হৈছে, সেই সকলে এনে ধৰণৰ এটা বাতাবৰণৰ সৃষ্টি কৰিছে যে গোটেই পৰিস্থিতি-টোৱেই এটা চৰম পৰিস্থিতিৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত মই শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীযাৰ এটা কথা উল্লেখ কৰিব বিচাৰিছো। তেখেত নিজেই এজন সমাজ কৰ্মী আৰু এজন সমাজবাদী নেতা। তেখেতে এই সমবায় আন্দোলনটোৰ বিৰুদ্ধে এটা বেয়া ভাৱ মূৰ্ত্তি জনসাধাৰণৰ আগত দাঙি ধৰিব খুজিছে। মই এইটো সমৰ্থন কৰিব নোৱাৰো। হয়তো এই সম-বায় আন্দোলনৰ পৰিচালনাত কিবা খুটি-নাতি থাকিব পাৰে এইটো একেবাৰে অসত্য নহয়। আমাৰ চৰকাৰে সমবায় গঠন কৰাটো কিছু-মান ত্ৰুটি বৈ গৈছে। তাৰ অৰ্থ ব্যৱস্থাটো ভাল নোহোৱা নহয়। আমি এতিয়া এনেকুৱা এটা ভাৱমূৰ্ত্তি তৈয়াৰ কৰিব লাগিব, আৰু তাৰ খুটি-নাতি বিলাক আঁতৰ কৰিব লাগিব যাৰ ফলত জনসাধাৰণ আকৰ্ষিত হৈ আহিব পাৰে। এই আন্দোলনত কৃতকাৰ্য্যতা লাভ কৰিবলৈ হলে মাননীয় সদস্য সকলে ইয়াত সহায় কৰিব লাগিব। তেতিয়াহে জনসাধা-ৰণে এই ব্যৱস্থা গ্ৰহণ কৰিব। জনসাধাৰণে যদি এই ব্যৱস্থাত সমৰ্থন দিয়ে তেনেহলে খাদ্য দ্ৰব্যৰ উৎপাদন আৰু বিতৰণৰ কাম চৰকাৰৰ হাতলৈ অনাত সহায় হব।

আজি বহুত বিলাক আঁচনি কৰা হৈছে। এই আঁচনি বিলাক বাস্তৱত ৰূপায়িত কৰিবলৈ গলে গোটেই চৰকাৰেই, অৰ্থাৎ মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি কংগ্ৰেছী সদস্য সকলেই নহয় বিধান সভাত যিমান সদস্য আছে সকলোৱেই আৰু লগতে আমাৰ যি সকল চৰকাৰী বিষয়া আছে সকলোৱেই এই আঁচনি বিলাক কাৰ্য্যকৰী কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰিব লাগিব। ইয়াৰ কাৰণে লাগিব প্ৰশাসন যন্ত্ৰৰ দক্ষতা। মই স্বীকাৰ কৰো যে বৰ্ত্তমান যি বিলাক আঁচনি চৰকাৰে লৈছে সেই বিলাক কাৰ্য্যকৰী কৰাত তাৰ গতি লেহেম হৈছে। এইটো সঁচা। সেই কাৰণেই মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে যিবিলাক আঁচনি চৰ-কাৰে লৈছে বা অহা পঞ্চম পৰিকল্পনাৰ কালত লবলৈ স্থিৰ কৰিছে অৱশ্যে ৰাজ্যপালৰ ভাষাটো এইটো কথা আছে যে পৰিল্পকনাৰ অন্তৰ্গত

আঁচনি বিলাক বাস্তৱত ৰূপায়িত কৰিবলৈ দক্ষতা বঢ়াবলৈ চেষ্টা কৰিম বুলি কোৱা হৈছে। সেই আঁচনি বিলাক বাস্তৱত ৰূপায়িত কৰিবলৈ অধিক নজৰ দিয়া উচিত হব। কিয়নো কোন কামৰ কাৰণে কিমান টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা আনিছে সেই টকা যদি থিক মতে খৰচ নহয় বা অপচয় হয় তাৰ কাৰণেই অসমত খাদ্য দ্ৰব্যৰ দাম বৃদ্ধি হৈছে। ইয়াৰ কাৰণে অকল ব্যৱসায়ীয়েই দায়ী নহয় আমিও দায়ী। আজি যদি উৎপাদন আৰু বিতৰণ নিয়ন্ত্ৰণ কৰিব নোৱাৰে আৰু আঁচনি বিলাকৰ কাৰণে যি বিলাক টকা আহে সেই বিলাক যদি থিক মতে খৰচ কৰিব পৰা নহয় তেনেহলে বস্তু-বাহানীৰ দাম নাবাঢ়ি কি হব ? সেই কাৰণেই মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো, আৰু লগতে সকলো বিষয়াকে অনুৰোধ কৰো যাতে এইখন তেওঁলোকৰ নিজৰ দেশ, নিজৰ ৰাজ্য বুলি ভাবি, দক্ষতাৰে আঁচনি বিলাক কাৰ্য্যকৰী কৰি অসমৰ অৰ্থনৈতিক অৱস্থা টনকীয়াল কৰিব।

মিঃ স্পীকাৰ—আপুনি শেষ কৰক।

শ্ৰীলক্ষীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, মই ৰাজ্যপাল মহোদয়ৰ ব্যক্তিগত এটা কথা উল্লেখ কৰিব খুজিছো যে তেখেত কেইবাখনো ৰাজ্যৰ ৰাজ্যপাল। আৰু এই ৰাজ্য সমূহ লৈ যি উত্তৰ পূৱ পৰিষদ গঠন হৈছে তাৰ চেয়াৰমেন। আজি অসমৰ যি সমস্যা আহিছে তাত সেই পৰিষদৰ চেয়াৰমেন হিচাবে তেখেতৰ যি দায়িত্ব সেই দায়িত্ব পালন কৰিব পাৰিলে অসম চৰকাৰক বহুত সহায় কৰা হব। অসমৰ সমস্যা বহুত। ইয়াত তেখেতে চেয়াৰমেন হিচাবে কেন্দ্ৰীয় চৰকাৰক বহুতো কথাত পতিয়ন নিয়াব পাৰে। এই সমস্যা কেইটাৰ প্ৰথমটো হ'ল সীমান্ত বিবাদ। আৰু দ্বিতীয়টো হ'ল ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰন। তেখেত ইয়াত থাকি অসমৰ বানপানীৰ যি ধ্বংশ লীলা সেই কথাটো কেন্দ্ৰীয় চৰকাৰক পতিয়ন নিয়াব পাৰিলে আমাৰ অসমৰ ৰাইজৰ কাৰণে ডাঙৰ উপকাৰ কৰা হব। পঞ্চম পৰিকল্পনাৰ কাৰণে আমাক যি পৰিমাণৰ টকা লাগিব সেই সম্পৰ্কত এই পিচ পৰা ৰাজ্যখনৰ কথা কেন্দ্ৰীয় চৰকাৰক কৈ পতিয়ন নিয়াব লাগিব আৰু যি বিলাক আঞ্চলিক বৈষম্য আছে সেই বিলাক দূৰীকৰণৰ ব্যৱস্থা কৰিব পাৰিব। ইয়াৰ উপৰিও নিয়োগৰ ক্ষেত্ৰত সিদিনা গুৱাহাটী বিশ্ববিদ্যালয়ৰ

কনভোকেচনৰ দিনা পোষ্ট গ্ৰেজুৱেট ছাত্ৰ-ছাত্ৰী সকলে বিক্ষোভ প্ৰদৰ্শন কৰি এই কথা প্ৰকাশ কৰিছে যে তেওঁলোকক ডিগ্ৰী নালাগে, লাগে নিয়োগ। গতিকে আমাৰ ইয়াত যি বিলাক কেন্দ্ৰীয় চৰকাৰৰ অফিচ আছে সেই বিলাকত যাতে আমাৰ ল'ৰাই নিয়োগৰ সুবিধা পাব পাৰে সেইটো তেখেতে কেন্দ্ৰীয় চৰকাৰক বুজাই দিব লাগে। কাৰণ আমি এই বিলাক কথা ক'লে ঠেক গণ্ডিত কথা কোৱা বুলি কব। কিন্তু তেখেতে যদি উত্তৰ পূব পৰিষদৰ চেয়াৰমেন হিচাবে কেন্দ্ৰীয় চৰকাৰক আমাৰ ৰাজ্যখনত থকা কেন্দ্ৰীয় অফিচ বিলাকত আমাৰ ল'ৰা ছোৱালী বিলাকক নিয়োগৰ ব্যৱস্থা কৰিব পাৰে তেনেহলে অসম বাসীৰ কাৰণে এটা মহৎ উপকাৰ হব। ইয়াকে কৈ মই সামৰণী মাৰিলো।

Shri Charan Narzary— Mr. Deputy Speaker, Sir. I will confine my speech within few points because almost all the points have been covered by other hon'ble members. Sir, one thing is very clear that of all the Ministers we have had in the State till to-day, the present one has surpassed the previous ones in its mis-administration lapses and failures leading to the utter frustration of the people in the State. Mr. Deputy Speaker, Sir, I have found that the Governor, Mr. L. P. Singh, has failed to give us a correct picture of what is going on in the State. I do not think that a socialistic society can be built up by mere slogans; the days of slogans are gone and it has been amply proved by the result of the last election to the Gauhati Municipal Corporation, and I need not go very far. Mr. Dy. Speaker, Sir, when this Government came to power, an impression was given to the people in the state that now there exists no reason why the

backward classes of people should be dissatisfied and frustrated, It was given out that the Government is the government run by the leaders of all the backward classes of people. In the beginning naturally some people also felt jubilant when the new Ministry came to power with new promises; but as the time passed on, experiences have shown us that the Government has failed miserably in keeping tall assurances and promises. The Governor's Address, I feel, is calculatedly designed to justify the gross mis-administration of the present government. Sir, today, what is of utmost importance is the question of security of lives and properties of the people in the State. Personally, I feel that democracy has been killed in this part of the country because of the anti-people policy of the Government in all spheres of our life.

Mr. Dy Speaker, Sir, the Governor in his Address has referred to the welfare of the backward plains tribal people and Scheduled Castes. From the statement given by the Governor in his address, it appears that the basic problems and grievances of these backward people have been totally ignored; they can never be removed with a very negligible amount of money earmarked for the welfare of these people. It has been stated by the Governor that a sum of rupees 64·83 lakhs was set apart for schemes to improve educational and medical facilities and to provide industrial training, among others, for the welfare of the plains tribal population. It is not sufficient and the basic tribal problem is, i. e. the problem of security of plains tribals, cannot be solved this way.

It is not the just and realistic approach ; this should not be the approach to the basic problems and grievances of the plains tribals. The Governor was expected to mention much more about the real grievances and problems of this particular section of the people.

Mr. Dy. Speaker, Sir, I have already told the House that in this part of the country, there is no security of lives and properties and as a result democracy has been killed. Brute force has replaced democracy and jungle-law prevails everywhere. Liberty of the people has been suppressed everywhere. Wherever there is any grievance or upsurge of the people to assert this constitutional rights, the government have resorted to most undemocrtic method of suppressing the popular voice of the people, which is unthinkable in a democracy. As for instance, Mr. Dy. Speaker Sir, in connection with the recent police reign of terror let loose on the plains tribals in the Kokrajhar subdivision, about 85 persons are still rotting in the Dhubri jail without trial. They were arrested by the Police of this government in connection with the cooked up criminal cases on the flimsiest grounds. Bails have not been allowed to appear for them ; large number of students have not been allowed to appear in their annual and final examinations. Why ? We know, even the person accused of murder is allowed bail ; what is the crime of these people for which they should not be allowed bail ? Who is responsible for that ? In fact, Mr. Dy. Speaker. Sir, I will tell this august House today that one single man

is responsible for this unhappy situation, who engineered all these troubles. It is at the instance of that particular man that the Government acted accordingly by letting loose the reign of terror on the plains tribals; and, all the people including the small children know who he is. Now, if the government wants to repair its lost image among the tribals this way, I will say it is the Government by the demons. In fact, the simple truth is that the barbarous measures resorted to by the Government against the plains tribals originated out of political vindictiveness and nothing else. But the minds of the plains tribals cannot be won over this way. Of course, Mr. Dy. Speaker, Sir, I thank the Chief Minister because he has given a great momentum to the political movement of the plains tribals for Udayachal by letting loose a reign of terror on the plains tribals. Another example of barbarity: when many Bodo girls launched a peaceful agitation on front of the D. I's office at Goalpara Town on January, 11 last, quite a large number of innocent small girls had been mercilessly beaten up by the police of this Government and here I exhibit this photograph of one small girl. This is the photograph. Let the world know that here there is no security of life in this part of the country under this Government. 63 innocent girls like this sustained serious injuries when the brutish police personnel of this Government lathicharged. What was their offence? What was their crime? They demonstrated democratically to press

their popular demand, expressing their greivances, through constitutional means and for that renson they had been subjected to brutal atrocities

Sir, still today in Kokrajhar Subdivision, because of certain anti social elements who claim themselves to be the followers of ruling Congress party, police harrassment is continuing. On a number of occasions even I personally complained to the civil and police authorities to take appropriate action against those persons, without any avail. Who cares for that ? Nobody is there.

Mr. Dy. Speaker, Sir, there is no justice even in the Court of Law at Subdivisional and District levels. Magistrates, we have seen, are politically influenced and biased and we cannot expect any justice from them for which many innocent people are rotting in jails. Now, one thing Sir, if this Government have something in its mind to bargain with us at the cost of those arrested and detained persons, I have nothing to say ; and if that be the intention of the Government we are not worried about release of those persons also. If this be the desire of this Government, let thousands and thousands of tribals go to Jails and let them perish in their struggle for existence. The Government have totally failed to solve the basic grievances and problems of the plains tribals and there is no ray of hope at all. Because of their utter failure they have resorted to this fascist method of repession. Those at the helm of affairs claim themselves

to be socialists, but I say, under the gurb of socialism they have been acting in a most barbarous manner ( A voice—in Kokrajhar area ) everywhere.

Mr. Deputy Speaker Sir, now I would like to give a brief outline of the tribal policy pursued by this Government. Why the Plains Tribals had to start their political agitation for a separate administrative set up. Why ? Who bothers for that reason ? Nobody is there.

When the P. T. C. A. was born and raised the voice of their political demand, the Government, simply, ignored it; They thought and even made public statement also that this moment has been started by some disgruntled persons who could not obtain congress nominations or who had been defeated in the elections. This was their attitude. But the movement gained popularity and mass support. What to do ? Secondly, therefore, they tried to allure some of the leaders of the movement by offering some benefits or opportunities. This attempt also proved ineffective. Then, thirdly, what the Govt. did was that they tried to give an impression to the people that Government is sympathetic and considerate to the Plains Tribal people; So, the Govt. is giving the lead of the Assam Pradesh Congress Committee by making Mr. Lalit Kumar Doley as its President and in some other district Congress Committees also tribals have been made presidents wherever possible.

Shri Syed Ahmed Ali ( Minister )—Sir, this is a wrong

impression because Mr. L. K. Doley was not made President by the Government but he has been made President by election.

Shri Charan Narzari—He has been made President by the Congress Party. The Government is also the Govt. by Congress. Then, fourthly, Sir, the A. P. C. C. pretended to give an accent on the tribal affairs and promised huge amount of money during the 5th Five-Year Plan and for that purpose a Tribal Development Cell was constituted in the APCC and this Tribal Development Cell resolved to evict all the unauthorised non-tribal settlers from the tribal belts and blocks. But Mr. Deputy Speaker, Sir, all these atractions could not allure the Plains Tribal people. The Government loudly declared that within 6 months there will be no tribal grievances and problems. The Govt. will be removing all the problems within the coming 6 months. But God knows how many 6 months have passed since then till today. And the Plains Tribal people stand where they were. They have not been lifted to heaven by this Government. And although the A. P. C. C. tried to win over the minds of the people by holding series of political conferences in the Plains Tribal areas, even then the tribal people were not attracted. What to do ? So, a punishment must be inflicted to them. When the Government miserably failed to tackle the plains tribal grievances and problems they hand no other alternative but to use their stricks and boots against the innocent tribals.

This is what has been done by this Govt. So, Sir, what is the reason for us to be jubiliant under this Government ? There is no reason. Mr. Deputy Speaker Sir, I am speaking about all these things in anguish. It is not a matter of joke. I do not know what madly pleasure this Govt. finds by beating the innocent people ruthlessly and putting them inside jails without trial for months together, when most of the Sections of law against them are available. When even the court of law becomes politically influenced or biased or vindictive, there is no security for us. And, when there is no security nothing can solve the problems of the tribal people.

I do not know whether hon'ble members of the House will agree with me about the plains Tribals policy pursued by the Govt. Anyway I want to inform this August House and also the Govt. through you Sir, that if the tribals are to perish like beasts—well we will perish—but then I warn that those, who are at the helm of affairs, also cannot survive. Because we know the political trend that is prevailing in the country and in this part of the country. If you do not allow us to survive, well, we will not mind dying in our struggle. It should not be taken as a matter of joke. I have told the House if the Govt. have something its mind to make bargain with us out of something, well, Govt. is at liberty to do whatever it likes. But the fact remains that the spirit of the people cannot die. I will die but

my spirit will not die. The aspirations of the people cannot be crushed with stricks and boots. It is not possible, Mr. Deputy Speaker Sir, I hope, however, that wisdom should prevail upon this Govt. good sense should prevail on this Govt. Sir, lots of my people are rotting in the jails and people are mentally prepared to court arrests and go to jails. The plains tribal people are living in a state of utter insecurity and frustration. Everywhere abnormal situation is being created by the chalas of the Congress party.

Shri Jagannath Sinha—Sir, Chala is an objectionable word.

Shri Charan Narzari—Sir, I apologise for that. I should rather say followers of Congress. I do not know, Sir, from where they get so much of courage and indulgence to behave in the most barbarous way against the simple innocent villagers. Public complaints have been lodged on a number of occasions against the Officer incharge of Sarfanguri Police outpost, and the incharge of Dotma Police outpost. But no remedy. Because the officers who are expert in using sticks and boots against the people are treated as most efficient and successful officers who get promoted promptly. It is is being done everywhere.

Now, another point Sir.

Mr. Deputy Speaker—Try to finish within 4·30 p. m.

Shri Charan Narzary—Yes, Sir. During discussions on General Administration Govt. officials are described as bureaucrats. There are different categories of officers found in the Govt. offices. All of them cannot be

bureaucrates. I am citing an example and I believe the Govt. is in the know of it. This is the case of one Addl. Deputy Inspector of Schools of Kokrajhar. He has not received his pay slip since September 1973 and the matter was referred to the D. P. I. also. It has been referred to the A. G. But there is no response and the poor man the other day met me and told that he could not do anything for getting his pay-slip in inspite of his best efforts since long. And as a result he was begging money from his friends. Today 10 rupees from some one—tomorrow 5 rupees from some other. And he is continuing like that. He is in a very wretched condition. He is one Mr. Shah. Finding no other way he resorted to hunger strike for some days, with due intimation to the aut-hority concerned. He also resorted to pen-down strike. He is not working. What is the reason for meting out such injustice to him. If these things go on like this how the poor officials can perform their duties. Certainly this poor officer cannot be a bureaucrat. Yes, there may be offical bureaucrats, but not all of them.

Regarding Education I want to speak something. In the Bodo populated areas double-medium schools are existing.

Now the Bodo medium teachers—most of them graduates—do not get the same salary which is being enjoyed by the teachers of the same category in Ass-amese medium. Is there any justification ? So Mr. Deputy Speaker, Sir, I hope that the Government will

take this into account and do some justice to the poor Bodo-medium teachers. I once again warn, in the long run those who are at the helm of affairs that they also cannot survive if the plains tribals die.

## ADJOURNMENT

Mr. Deputy Speaker—The House stands adjourned till 9 A. M. tomorrow.

The House then adjourned at 4·30 P. M. till 9 A. M. on Friday the 8th February, 1974.

P. D. Barua
Secretary,
Assam Legislative Assembly.

Dated, Dispur
The 7th February, 1974